DAILY ASSAM

# অধ্যায় ৩

# বিদ্যালয় আৰু ইয়াৰ সংগঠন

**বিষয়বস্তু ঃ**

(ক) **বিদ্যালয় প্রতিষ্ঠানৰ অৰ্থ**

(খ) **বৈষয়িক সম্পদ**

মাটি, বিদ্যালয় গৃহ, শ্রেণীকক্ষ, পুথিভড়াল, বিজ্ঞান পৰীক্ষাগাৰ।

(গ) **শিক্ষাত প্রযুক্তিবিদ্যাৰ ভূমিকা**

অৰ্থ আৰু সুবিধা

কম্পিউটাৰ, ইন্টাৰনেট,ই-মেইল, চিডি-ৰ'ম, ওৱেৱচাইট আৰু দূৰালাপ সন্মিলন

(ঘ) **শিক্ষক**

ব্যক্তিগত আৰু বৃত্তিগত গুণসমূহ

সুচলাকাৰী, অভিপ্রেৰক, পৰামৰ্শদাতা হিচাপে শিক্ষকৰ ভূমিকা

(ঙ) **ছাত্র-ছাত্রী**

(চ) **পাঠ্যক্রম**

সংজ্ঞা, প্ৰকাৰ, বৰ্তমান পাঠ্যক্রমৰ ত্রুটি সমূহ, পাঠ্যক্রম প্রস্তুতিৰ নীতি সমূহ

সহপাঠ্যক্রমিক কাৰ্যাৱলী

অৰ্থ, প্ৰকাৰ, উদ্দেশ্য আৰু সুবিধাসমূহ

(ছ) **পৰামৰ্শদায়ী অভিকৰণসমূহ**

বিশ্ববিদ্যালয় অনুদান আয়োগ (UGC), ৰাষ্ট্ৰীয় শিক্ষা গৱেষণা আৰু প্রশিক্ষণ পৰিষদ (NCERT), ৰাজ্যিক শিক্ষা গৱেষণা পৰিষদ (SCERT) আৰু জিলা শিক্ষা আৰু প্ৰশিক্ষণ পৰিষদ (DIET)।

**উদ্দেশ্য**

এই পাঠ অধ্যয়ন কৰাৰ পিছত তোমালোকে

- বিদ্যালয় প্রতিষ্ঠান আৰু ইয়াৰ গঠনৰ বিষয়ে বুজিব পাৰিবা।
- বিদ্যালয়ৰ প্রতিষ্ঠানৰ প্রয়োজন হোৱা বিভিন্ন সম্পদৰ বিষয়ে জানিব পাৰিবা।
- শিক্ষাত প্রযুক্তিবিদ্যাৰ ভূমিকাৰ বিষয়ে জানিব পাৰিবা।
- শিক্ষকৰ গুণ আৰু বিভিন্ন ভূমিকাৰ বিষয়ে জানিব পাৰিবা।
- ছাত্ৰৰ বিভিন্ন বিভাজনৰ বিষয়ে জানিব পাৰিবা।
- পাঠ্যক্রম আৰু সহপাঠ্যক্রমিক কাৰ্যাৱলীৰ অৰ্থ আৰু গুৰুত্বৰ বিষয়ে জানিব পাৰিবা লগতে বৰ্তমান পাঠ্যক্রমৰ ত্রুটি সমূহ আৰু পাঠ্যক্রমৰ প্রস্তুতিৰ নীতিৰ বিষয় জানিব পাৰিবা।
- বিশ্ববিদ্যালয় অনুদান আয়োগ (UGC), ৰাষ্ট্ৰীয় শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ (NCERT), ৰাজ্যিক শিক্ষা গৱেষণা পৰিষদ (SCERT), জিলা শিক্ষা আৰু প্ৰশিক্ষণ পৰিষদ (DIET) আৰু এইবোৰৰ কাৰ্যাৱলীৰ বিষয়ে জানিব পাৰিবা।

স্কুল হৈছে আধুনিক শিক্ষাৰ প্ৰধান উপাদান। স্কুলীয়া শিক্ষাৰ জৰিয়তে বিভিন্ন বিষয়ৰ জ্ঞান প্ৰদান কৰা হয়। তাৰোপৰি পুথিগত জ্ঞানৰ লগতে শিক্ষাৰ জৰিয়তে অনুশাসন, নিয়মানুৱৰ্তিতা আৰু সৎ চৰিত্ৰ গঠনৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ সৰ্বাংগীন বিকাশত গুৰুত্ব দিয়া হয়। স্কুলীয়া শিক্ষাক প্ৰধানকৈ চাৰিটা স্তৰত বিভক্ত কৰা হয়— প্ৰাক প্ৰাথমিক (৩-৬) বছৰলৈ, প্ৰাথমিক (৬-৯) বছৰ, উচ্চ-মাধ্যমিক (১০-১৬) বছৰ আৰু উচ্চতৰ মাধ্যমিক (১৭-১৯) বছৰ।

(ক) বিদ্যালয় প্ৰতিষ্ঠানৰ অৰ্থ (**Meaning of School Plant**) ঃ বিদ্যালয় গৃহ, মাটি, বিদ্যালয়ৰ আঁচবাব, অন্য সা-সঁজুলি, মানৱ সম্পদ যেনে- ছাত্ৰ-ছাত্ৰী, শিক্ষক আৰু আন কৰ্মকৰ্তাসকলক অন্তৰ্ভুক্ত কৰা এটা বহল শব্দ হৈছে বিদ্যালয় প্ৰতিষ্ঠান। ই হৈছে শৈক্ষিক পৰিবেশৰ অপৰিহাৰ্য অংগ। এটা ভাল বিদ্যালয়-প্ৰতিষ্ঠানে ফলদায়ক শিক্ষণত সহায় কৰে।

**K.G. Saiyadin**-ৰ মতে আদৰ্শ স্কুল ঘৰ হৈছে "Ideally a School building should be planned spaciously, functionally with pleasing architecture features. It would stand out in the village or the city as something of which the local community can be proud. Infact in some educationally advanced and wealthy countries, Schools are housed in beautiful buildings which are not only stimulating centres of education for children but also vital centres of community life."

ওপৰত উল্লেখ কৰা কথাবোৰ লক্ষ্য কৰিলে এইটো স্পষ্ট হৈ পৰে যে, এটা আদৰ্শ বিদ্যালয় ঘৰ আৰু এটা ভাল পৰিবেশ ছাত্ৰ-ছাত্ৰীসকলক শিক্ষা আহৰণৰ প্ৰতি আগ্ৰহী কৰি তোলে। তেওঁলোকে বিদ্যালয়ত সদায় তেওঁলোকৰ ভাল আচৰণৰ মাজেদি সময়বোৰ অতিবাহিত কৰে। সেয়েহে, পৰিবেশটো এনে হোৱা দৰকাৰ যাতে ছাত্ৰ-ছাত্ৰীসকলে ইয়াক লৈ গৌৰৱ কৰিব পাৰে আৰু মনে-প্ৰাণে তাত সময় অতিবাহিত কৰিব পাৰে। এটা সুপৰিকল্পিত বিদ্যালয় চৌহদেও এটা সুস্থ শৈক্ষিক বাতাবৰণ গঢ়ি তোলাত শিক্ষকসকলক অনুপ্ৰাণিত কৰিব পাৰে। এখন স্কুল য'তে ত'তে স্থাপন কৰিব নোৱাৰে। স্কুলখন স্থাপন কৰা সময়ত কিছুমান বিষয়ৰ ওপৰত নজৰ দিয়াটো অত্যন্ত জৰুৰী। (William Yeager য়ে, কৈছে "Nothing in the whole educational programm is more conducive to co-operative attitude among the pupils and a love of school than can attract and wholesome environment."

DAILY ASSAM



বিদ্যালয় প্ৰতিষ্ঠানে তলত দিয়া কাৰকসমূহ অন্তৰ্ভুক্ত কৰে—

ক) বৈষয়িক সম্পদ (Physical Resources)

খ) মানৱ সম্পদসমূহ (Human Resources)

গ) পাঠ্যক্ৰম আৰু সহপাঠ্যক্ৰমিক কাৰ্যাৱলী (Curriculum and co-curricular activities)

(খ) বৈষয়িক সম্পদ ঃ

শিক্ষানুষ্ঠানৰ বৈষয়িক সম্পদ বুলিলে মাটি, বিদ্যালয় ঘৰ, শ্ৰেণীকক্ষ, পুথিঁভৰাল আৰু কেইপদ মান শিক্ষণ সঁজুলি যেনে ব্লেক বৰ্ড, চক পেঞ্চিল, ডেস্ক-বেঞ্চ আৰু খেল সামগ্ৰীক আঙুলিয়াই দিব পাৰি। স্কুলীয়া শিক্ষাৰ লক্ষ্যত উপনীত হোৱাত এই বৈষয়িক সম্পদ সমূহৰ বিশেষ ভূমিকা থাকে। অন্যথা ছাত্ৰ-ছাত্ৰীসকল বিভিন্ন সমস্যাৰ সন্মুখীন হ'বলগীয়া হয়। ভাল শ্ৰেণীকক্ষ, খেল সামগ্ৰী আৰু শিক্ষণ সঁজুলি অবিহনে ছাত্ৰ-ছাত্ৰীৰ সৰ্বাংগীন বিকাশ সাধন কৰাতো সম্ভৱপৰ নহয়।

বৈষয়িক সম্পদসমূহ(**Physical Resources**)ঃ

বৈষয়িক সম্পদ কি ?

স্কুল সংগঠনৰ প্ৰধান বৈষয়িক সম্পদসমূহ হ'ল—

১) মাটি বা ভূখণ্ড

২) বিদ্যালয় গৃহ আৰু খেল পথাৰ

৩) শ্ৰেণী কোঠা

৪) পুথিভঁড়াল

৫) বিজ্ঞান পৰীক্ষাগাৰ

৬) আচবাব আৰু সা-সঁজুলি।

**১) মাটি বা ভূখণ্ড (Site or Land) ঃ**

বিদ্যালয় প্ৰতিষ্ঠা কৰোতে তলত দিয়া বিষয়সমূহ মনত ৰখা দৰকাৰ-

১) বিদ্যালয়ৰ অৱস্থান ঘাই পথৰ একেবাৰে কাষত বা দূৰত হ'ব নালাগে। পৰিবেশটো স্বাস্থ্যকৰ হোৱা দৰকাৰ।

২) এটা ভাল পৰিবহণৰ ব্যৱস্থা থাকিব লাগে।

৩) বিদ্যালয়ৰ বাবে নিৰ্বাচিত মাটিডোখৰ শুকান, মুকলি, ওখ আৰু ৰ'দ পৰা ঠাইত হ'ব লাগে। তেনে ঠাইত তেতিয়াহে পানী জমা হ'ব নোৱাৰিব আৰু ৰ'দ-বতাহৰ চলাচল অবাধে চলিব।

৪) মাটিৰ আকাৰ আয়তক্ষেত্ৰৰ দৰে হোৱা উচিত।

৫) শ্ৰেণীকোঠা বঢ়োৱাৰ বাবে সুবিধা থকা দৰকাৰ।

৬) নগৰৰ ঘন বসতি, জনপূৰ্ণ বা বজাৰ আদিৰ পৰা আঁতৰত নিৰ্জন ঠাইত বিদ্যালয় স্থাপন কৰিব লাগে।

৭) শ্মশান, কবৰখানা, কচাইখানা আৰু চহৰৰ আৱৰ্জনা পেলোৱা ঠাইৰ পৰা বিদ্যালয় দূৰত স্থাপন কৰিব লাগে।

৮) বিদ্যালয়ৰ ওচৰত কোনো কল-কাৰখানা, শিল্প-প্ৰতিষ্ঠান, চিনেমা হল, বজাৰ বা তেনে কোনো জন-কোলাহলৰ পৰিবেশ থাকিব নালাগে।

৯) বিদ্যালয়ৰ অৱস্তান চিকিৎসালয় বা তেনে কোনো সমাজ কল্যাণমূলক অনুষ্ঠানৰ ওচৰত হ'ব লাগে।

**২) বিদ্যালয় গৃহ আৰু খেলপথাৰ (School Buildings & Play Ground) ঃ**

১) বিদ্যালয় ঘৰবোৰ এনেদৰে নিৰ্মাণ কৰিব লাগে যাতে ই ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক প্ৰয়োজন আৰু আগ্ৰহ পূৰণত সফল হ'ব পাৰে।

২) বিদ্যালয় ঘৰসমূহ I, L, T, U, E বা H আখৰৰ আকৃতিৰ হ'ব লাগে। E আকৃতিৰ বিদ্যালয়ঘৰ নিৰ্মাণ কৰাটো বেছি প্ৰয়োজনীয়।

৩) বিদ্যালয় প্ৰতিষ্ঠানে পাঠ্যক্ৰম আৰু সহ পাঠ্যক্ৰম সম্বন্ধীয় কাৰ্যকলাপৰ বাবে সকলো ধৰণৰ প্ৰয়োজনীয় সুবিধা প্ৰদান কৰা দৰকাৰ।

৪) বিদ্যালয় ঘৰটোৰ ছাত্ৰ-শিক্ষক আৰু সংশ্লিষ্ট সকলো লোকৰেই স্বাস্থ্য ৰক্ষা কৰিব পৰাকৈ শীত-তাপ, পোহৰ আৰু বায়ু চলাচলৰ ব্যৱস্থা কৰিব লাগে।

৫) যথাসম্ভৱ, ঘৰবোৰ পকী হোৱা দৰকাৰ।

৬) বিদ্যালয় ঘৰবোৰ পৰিমিত ব্যয়ৰ হ'ব লাগে।

৭) শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীয়ে যাতে মুক্তভাৱে অহা-যোৱা কৰিব পাৰে, সেইধৰণে স্কুলঘৰ নিৰ্মাণ কৰিব লাগে।

৮) প্ৰধান শিক্ষকে কেন্দ্ৰস্থ ব্যক্তিস্বৰূপে বিদ্যালয়ৰ সকলো ক্ৰিয়া-কলাপ সুচাৰুৰূপে পৰিদৰ্শন আৰু পৰিচালনা কৰিব পৰাকৈ তেওঁৰ কাৰ্যালয়টো কেন্দ্ৰস্থলত স্থাপন কৰিব লাগে।

৯) বিদ্যালয় ঘৰ মৰ্যাদা সম্পন্ন আৰু শিল্পীসুলভ হ'ব লাগে।

১০) পানীৰ সুব্যৱস্থা থাকিব লাগে আৰু বিদ্যালয়ৰ পৰিবেশ স্বাস্থ্যসন্মত হোৱাটো বাঞ্চনীয়।

১১) বিদ্যালয়ৰ নিজা খেল পথাৰ থাকিব লাগে আৰু indoor games ৰ বাবেও ব্যৱস্থা থাকিব লাগে।

**৩) শ্ৰেণীকোঠা (Class-room) ঃ**

কোঠাৰী আয়োগে মন্তব্য দিছিল যে, "এটা জাতি

বা এখন দেশৰ ভাগ্য বিদ্যালয়ৰ শ্ৰেণী-কোঠাসমূহত গঢ় লয়"। (Destiny of the nation is being shaped in her classrooms)। ইয়াৰ পৰাই বিদ্যালয় ঘৰৰ শ্ৰেণীকোঠা একোটাৰ গুৰুত্ব কিমান বুজিব পাৰি।

১) শ্ৰেণীকোঠা, সচৰাচৰ ৫০ জন ছাত্ৰ-ছাত্ৰী ভালদৰে বহিব পৰা হ'ব লাগে।

২) শ্ৰেণী কক্ষৰ আকাৰ আয়ত ক্ষেত্ৰৰ দৰে লাগে।

৩) কোঠাটোত পোহৰ বায়ু চলাচলৰ সুবিধা থাকিব লাগে।

৪) শ্ৰেণী কোঠাৰ বেৰবোৰৰ ৰং এনে হ'ব লাগে যাতে ই ছাত্ৰ-ছাত্ৰীৰ চকুত কোনো কু প্ৰভাব পেলাব নোৱাৰে।

৫) কোঠাবোৰত পৰ্যাপ্ত পৰিমাণৰ দুৱাৰ-খিৰিকি, ভেন্টিলেশ্যন আদি ৰাখিলে সুবিধা হয়।

৬) শিক্ষকৰ বহা আসন কিছু ওখ ঠাইত হ'ব লাগে আৰু তাৰ বাবে কাঠৰ মঞ্চ বা প্লেটফৰ্ম আৰু চকী-মেজৰ ব্যৱস্থা থাকিব লাগে।

৭) শিক্ষকৰ বহা ঠাইৰ পিছপিনে আহল-বহল বেৰত ব্লেকবোৰ্ড আঁৰি থ'ব লাগে। ব্লেকবোৰ্ডত যাতে ঠিকমতে পোহৰ পৰে আৰু পিছৰ বেঞ্চত বহা ছাত্ৰ-ছাত্ৰীয়েও দেখা পায় তাৰ লক্ষ্য ৰাখিব লাগে।

**৪) পুথিভঁড়াল (Library)ঃ**

পথিভঁড়ালসন্দৰ্ভত মাধ্যমিক শিক্ষা আয়োগে মন্তব্য দিছিল যে, "The library will be the hub and the center of the intellectual and literary life of the recognised School and play the same part vis-a-vis all the other subjects as the laboratory plays for science subjects and the workshop for technical subjects. Individual work, the pursuit of group projects, many academic hobbies and co-curricular activities postulate the existence of a good efficiently managed library." সেয়ে, এটা ভাল পুথিভঁড়াল এখন বিদ্যালয়ৰ এক অত্যাৱশ্যকীয় অংগ।

বেকন (Bacon) ৰ ভাষাত, "Libraries are the shelves where all the relics of saints full of virtue and that without delusion and importance are responed."

এটা ভাল পুথিভঁড়ালে তলত উল্লেখ কৰা চৰ্তসমূহ পালন কৰা উচিত-

১) পুথিভঁড়ালত সকলো বয়সৰে ছাত্ৰ-ছাত্ৰীৰ বাবে, শিক্ষকসকলৰ বাবে উপযোগী নিৰ্বাচিত কিতাপ থাকিব লাগে।

২) পুথিভঁড়ালত কিতাপ ৰাখিবৰ বাবে আলমাৰি; আলোচনী, খবৰ কাগজ আদি

ৰাখিবৰ ষ্টেণ্ড বা ৰেক্, পঢ়িবৰ বাবে টেবুল বা ডেক্স আৰু বহিবৰ বাবে চকী বা বেঞ্চৰ পয়োজন।

৩) বিদ্যালয়ৰ পুথিভঁড়ালৰ বাবে একোজন প্ৰকৃত অৰ্হতাসম্পন্ন আৰু প্ৰশিক্ষণপ্ৰাপ্ত পুথিভঁড়ালীৰ প্ৰয়োজন।

৪) পুথিভঁড়ালৰ পৰা কিতাপ লোৱা আৰু ঘূৰাই দিয়াৰ নীতি-নিয়মসমূহ সকলো ছাত্ৰ-ছাত্ৰীয়ে সহজে মানিব পৰাকৈ নিৰ্ধাৰণ কৰিব লাগে আৰু ছাত্ৰ-ছাত্ৰীয়ে এইবোৰ নীতি নিয়ম জনাৰ সুবিধা কৰিব লাগে।

৫) শিক্ষকে মাজে-সময়ে বাহিৰা কিতাপ পঢ়াৰ গুৰুত্ব সম্বন্ধে ছাত্ৰ-ছাত্ৰীক অৱগত কৰিব লাগে।

৬) বিভিন্ন বিষয়ৰ পুথি সহজে পাব পৰাকৈ বিষয়-বস্তুৰ ওপৰত ভিত্তি কৰি পুথিসমূহ সজাই থ'ব লাগে।

৭) বিদ্যালয়ৰ, পুথিভঁড়ালক আটাইতকৈ আকৰ্ষণীয় স্থান হিচাপে গঢ়ি তুলিব লাগে যাতে ছাত্ৰ-ছাত্ৰীয়ে সহজে ইয়াৰ প্ৰতি আকৰ্ষিত হয়।

৮ বিদ্যালয়ৰ পুথিভঁড়াল হ্ৰস্বকালীন বা দীৰ্ঘকালীন বন্ধৰ সময়তো খোলা ৰাখিব লাগে।

৯) বিদ্যালয়ৰ পুথিভঁড়ালক জনপ্ৰিয় কৰি তুলিবলৈ বছৰত এবাৰকৈ পুথিভঁড়াল দিৱস অনুষ্ঠিত কৰিব লাগে।

৫) বিজ্ঞান পৰীক্ষাগাৰ (Science Laboratory)ঃ

প্ৰত্যেক বিদ্যালয়তে বিজ্ঞান পৰীক্ষাগাৰ থকা অতি দৰকাৰ।

১) ইয়াক মুখ্য বিদ্যালয় ঘৰৰ পৰা অলপ আঁতৰত পাৰ্শ্বৱৰ্তীভাৱে স্থাপন কৰিব লাগে।

২) কোঠাত নিয়মিতভাৱে গেছ, পানী, বিদ্যুৎ যোগানৰ সুবিধা থাকিব লাগে।

৩) কেমেৰা আৰু পৰ্দাৰ সহায়ত ছবি আৰু স্লাইডক সক্ৰিয় কৰি তোলাৰ ব্যৱস্থা কৰিব লাগে।

৪) আলমাৰীৰ ভিতৰত দামী আৰু বিপদজনক ৰাসায়নিক পদাৰ্থবিলাক আবদ্ধ কৰি তোলাৰ ব্যৱস্থা কৰিব লাগে।

৫) বস্তুবোৰ সঠিকভাৱে নিজৰ নিজৰ ঠাইত থোৱাৰ কাৰণে এজন পৰীক্ষাগাৰ কৰ্মচাৰীক নিযুক্ত কৰিব লাগে।

বিদ্যালয় প্ৰতিষ্ঠানৰ প্ৰয়োজনীয় সম্পদ সমূহঃ

| বৈষয়িক সম্পদ | মানৱ সম্পদ |
|---|---|
| মাটি | শিক্ষক |
| বিদ্যালয় গৃহ | ছাত্ৰ-ছাত্ৰী |
| শ্ৰেণীকক্ষ | কৰ্মচাৰী |
| পুথিভড়াল | |
| বিজ্ঞান পৰীক্ষাগাৰ | |

DAILY ASSAM



### আচবাব আৰু সা-সঁজুলি (Equipments)ঃ

শিক্ষণ প্ৰক্ৰিয়াৰ বাবে মাটি, ঘৰ, শ্ৰেণীকোঠা আদি বৈষয়িক সম্পদৰ বাহিৰেও আমাক কিছুমান সা-সঁজুলি আৰু আঁচবাবৰ আৱশ্যক। সেইবোৰ হ'ল—

১) ডেক্স-বেঞ্চ, শিক্ষকৰ চকী-মেজ আদি আচবাব।

২) ব্লেকবোৰ্ডৰ লগতে ডাষ্টাৰ।

৩) ছাত্ৰ-ছাত্ৰীৰ বহীবোৰ থ'বৰ বাবে আলমাৰী।

৪) পুথিভঁড়ালৰ বাবে আৱশ্যকীয় আলমাৰী।

৫) পৰীক্ষাগাৰৰ বাবে বৈজ্ঞানিক সা-সঁজুলি।

৬) ৰেডিঅ', টেপ-ৰেকৰ্ডাৰ, দূৰদৰ্শন আদিৰ দৰে শিক্ষণৰ শ্ৰৱণ-দৰ্শন সঁজুলি।

৭) নতুনকৈ প্ৰতিষ্ঠিত স্কুলবোৰত কম্পিউটাৰৰ ব্যৱস্থা কৰা।

### (গ) শিক্ষাত প্ৰযুক্তিবিদ্যাৰ ভূমিকা (Role of Technology in Education)ঃ

**প্ৰযুক্তিবিদ্যাৰ অৰ্থঃ** আধুনিক যুগটো হ'ল বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ যুগ। আজি বুটাম এটা ঘূৰাই দিলেই গোটেই বিশ্বকে ঘৰৰ দ্ৰয়িংৰুমলৈ লৈ আহিব পাৰি। আধুনিক প্ৰযুক্তিবিদ্যাৰ সম্প্ৰসাৰণৰ তীব্ৰতালৈ লক্ষ্য ৰাখি আমি আমাৰ ল'ৰা-ছোৱালীয়ে যাতে প্ৰযুক্তি আৰু বিজ্ঞানৰ অৱদানৰ লগত খাব পাৰে তাৰ বাবে অনুৰূপ শিক্ষাৰ ব্যৱস্থা কৰিব লাগিব। বিজ্ঞানৰ কিছুমান আৱিষ্কাৰ বৰ্তমান মানৱ জীৱনৰ এক বিশেষ অংগ হৈ পৰিছে। বৰ্তমান প্ৰযুক্তিৰ সহায়ত শিক্ষা প্ৰদান কৰিব পাৰি। শিক্ষাত প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰকে 'শৈক্ষিক প্ৰযুক্তিবিদ্যা' বুলি কোৱা হয়।

শৈক্ষিক প্ৰযুক্তিবিদ্যাক তলত উল্লেখ কৰা ধৰণে ব্যাখ্যা কৰিব পাৰি-

ক) শিক্ষাত প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰৰ বিষয়ে বৰ্ণনা কৰিবলৈ।

খ) শিক্ষাত প্ৰযুক্তিবিদ্যাৰ ধাৰণা সম্বন্ধে বুজাবলৈ।

শিক্ষণ অভিজ্ঞতাক বাস্তৱত ৰূপ দিবলৈ শিক্ষাত প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰ অতি আৱশ্যক। অনানুষ্ঠানিক, অগতানুগতিক শিক্ষা পদ্ধতিত প্ৰযুক্তি বিদ্যাৰ ব্যৱহাৰ কাৰ্যকৰীভাৱে কৰিব পৰা যায়। ষ্টেলুৰাছ (Stolurous) এ তলত উল্লেখ কৰা কাৰণ কেইটাৰ বাবে শিক্ষাত প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰ কৰিব পাৰি বুলি কৈছে—

১) জনসংখ্যা বিস্ফোৰণৰ বাবে।

২) জ্ঞানৰ পৰিসৰ বৃদ্ধিৰ বাৰ দ্ৰুত হোৱাৰ বাবে।

৩) বৰ্তমান সমাজত বিজ্ঞান আৰু প্ৰযুক্তিৰ পৰিৱৰ্তন হোৱাৰ বাবে।

প্ৰযুক্তিবিদ্যাই তলত উল্লেখ কৰা

বিষয়সমূহ সামৰি লয় ঃ

ক) শিক্ষণ অভিজ্ঞতাৰ কাৰণে ছাত্ৰ-ছাত্ৰীক প্ৰস্তুত কৰি তোলা।

খ) ছাত্ৰ-ছাত্ৰীসকলে যেতিয়া তেওঁলোকৰ অভিজ্ঞতাসমূহ আনৰ লগত বিনিময় কৰে তেতিয়া তেওঁলোকৰ মতামত সমূহক শক্তিশালী কৰি তোলা।

গ) অভিজ্ঞতাসমূহক পাঠ্যক্ৰমৰ লগত সম্পৰ্কিত কৰা আৰু এইদৰেই পিছৰ শিক্ষণৰ প্ৰতি শিক্ষাৰ্থীসকলক আগ্ৰহী কৰি তোলা।

**প্ৰযুক্তিবিদ্যাৰ সুবিধাসমূহ (advantage of Technology) ঃ** প্ৰযুক্তিবিদ্যাৰ সুবিধাসমূহ তলত উল্লেখ কৰা হ'ল—

(ক) শিক্ষাত প্ৰযুক্তিবিদ্যাৰ প্ৰধান ভূমিকা হ'ল শিক্ষাৰ গুণগত মান উন্নত আৰু সুগম কৰি তোলা।

(খ) ই প্ৰকৃত শিক্ষা আৰু অনুকূল বাতাবৰণ বজাই ৰখাত সহায় কৰে।

(গ) শিক্ষাৰ বিভিন্ন ধৰণৰ সমস্যা সফলভাৱে সমাধান কৰাত সহায় কৰে যিহেতু শৈক্ষিক প্ৰযুক্তিবিদ্যাই বিভিন্ন ধৰণৰ জনসংযোগ মাধ্যমক সামৰি লয়।

(ঘ) ভাৰতবৰ্ষৰ দৰে উন্নয়নশীল দেশক আন আন দেশৰ লগত সমানে আগবঢ়াই নিবলৈ শিক্ষাবিদসকলে শিক্ষাত প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰ কৰাটো অতি ফলদায়ক।

(ঙ) কেৱল শৈক্ষিক প্ৰযুক্তি বিদ্যাৰ সহায়তহে শিক্ষাৰ পৰিসৰ আৰু গুণগত দিশৰ বিকাশ সাধন কৰা সম্ভৱ।

বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাই উদ্ভাৱন কৰা আৰু শিক্ষাত সাৰ্থকভাৱে ব্যৱহাৰ কৰিব পৰা 'কম্পিউটাৰ' আৰু 'দূৰ সন্মিলন'ৰ ভূমিকা সম্পৰ্কে তলত আলোচনা কৰা হ'ল—

**মনত ৰাখিবলগীয়া**

শৈক্ষিক প্ৰযুক্তিবিদ্যাৰ সুফলসমূহ—

(ক) প্ৰযুক্তিৰ সহায়ত শিক্ষা প্ৰদান।

(খ) শিক্ষণ অভিজ্ঞতাক বাস্তৱ ৰূপ প্ৰদান কৰা।

(গ) প্ৰযুক্তিবিদ্যাৰ সহায়ত অনানুষ্ঠানিক আৰু অগতানুগতিক শিক্ষা পদ্ধতিৰ প্ৰসাৰ ঘটোৱা।

(ঘ) জনসংযোগ মাধ্যম যেনে— টিভি, ৰেডিঅ' আদিৰ সহায়ত শিক্ষাৰ বিভিন্ন সমস্যাৰ সফল সমাধান কৰা।


(ঙ) শৈক্ষিক প্ৰযুক্তি বিদ্যাৰ সহায়ত শিক্ষাৰ পৰিসৰ আৰু গুণগত দিশৰ সাধন কৰা।

DAILY ASSAM

কম্পিউটাৰ (**Computer**) ঃ 'কম্পিউটাৰ' অভিধাটো 'কম্পিউট' (Compute) অভিধাটোৰ লগত ঘনিষ্ঠভাৱে জড়িত যাৰ অৰ্থ হ'ল গণনাৰ মাধ্যমেৰে সিদ্ধান্তত উপনীত হোৱা (Determining by calculation)। প্ৰযুক্তি বিদ্যাৰ ক্ষেত্ৰত 'কম্পিউটাৰ' এবিধ বৈদ্যুতিক শক্তিচালিত যন্ত্ৰ। চাবিফলি (Key board), বৈদ্যুতিক চাৰক্যুইট, সংৰক্ষণ স্থান, তালিকাভূক্তকৰণ আহিলা আৰু অতি দ্ৰুতবেগী আহিলাৰে কম্পিউটাৰ গঠিত। কম্পিউটাৰত বহুসংখ্যক খবৰ (information) সংৰক্ষণ কৰিব পাৰি প্ৰয়োজন অনুসৰি উলিয়াই আনি ব্যৱহাৰ কৰিব পাৰি।

(১) কম্পিউটাৰৰ ইতিহাস (**History of Computer**)ঃ

১৭৯১-১৮৭১ চনৰ ভিতৰত চাৰ্লছ বেবেজ (Charles Babbage) নামৰ এজন ইংৰাজ লোকে কম্পিউটাৰ আৱিষ্কাৰ কৰিছিল। ১৯৪৫-১৯৫৬ চনত গণনা কৰিবলৈ ভেকাম টিউব্‌ছ (Vacum tubes) আৰু মেম'ৰি (memory) ৰ কাৰণে মেগ্‌নেটিক টেপ (magnetic tapes) ব্যৱহাৰ কৰিছিল। তাৰপিছত অৰ্থাৎ ১৯৫৬-১৯৬৩ চনত যি কম্পিউটাৰ তৈয়াৰ কৰা হৈছিল তাত বৰ্তমান কম্পিউটাৰৰ প্ৰায় সকলোবোৰ অংগ, যেনে- প্ৰিন্টাৰ, টেপ-ষ্টোৰেজ, ডিস্ক ষ্টোৰেজ; মেম'ৰি অ'পাৰেটিং চিষ্টেম আৰু ষ্ট'ৰড প্ৰগ্ৰেম'ৰ ব্যৱস্থা আছিল। ১৯৮১ চনত IBM (International Business Machines) য়ে ঘৰ, অ'ফিচ আৰু স্কুলত ব্যৱহাৰ কৰিবলৈ ব্যক্তিগত কম্পিউটাৰ (Personal Computer) উদ্ভাৱন কৰে। কম্পিউটাৰ প্ৰথমতে চৰকাৰ আৰু ডাঙৰ নিগম (Large Corporation) সমূহে ব্যৱহাৰ কৰিছিল। ক্ৰমান্বয়ে কম্পিউটাৰৰ দাম হ্ৰাস হোৱাৰ কাৰণে ই সাধাৰণ মানুহৰ ওচৰ




চিত্ৰ ঃ কম্পিউটাৰ

চাপিবলৈ সক্ষম হৈছে। আজিৰ দিনত ব্যক্তিগত কম্পিউটাৰ মানুহৰ ঘৰে ঘৰে দেখিবলৈ পোৱা যায়।

**কম্পিউটাৰৰ অংশসমূহ (Parts of Computer) ঃ**

এটা কম্পিউটাৰৰ মূল অংশ পাঁচটা। যেনে—

ক) ইনপুট আহিলা (Input equipment)

খ) আউটপুট আহিলা (Output equipment)

গ) স্মৃতি গোট (A memory store)

ঘ) প্ৰণালীৰ গোট (Processing unit)

ঙ) নিয়ন্ত্ৰক গোট (Control unit)

এটা সম্পূৰ্ণ কম্পিউটাৰ গোটত তলত উল্লেখ কৰা অংশসমূহ থাকে-

ক) মনিটৰ (Monitor)

খ) চাবিফলি (key board)

গ) প্ৰক্ৰিয়াৰ গোট (System unit)

ঘ) মাউছ (Mouse)

ঙ) প্ৰিন্টাৰ (Printer)

**কম্পিউটাৰৰ বৈশিষ্ট্যসমূহ (Characteristics of Computer)ঃ**

কম্পিউটাৰৰ বৈশিষ্ট্যসমূহ তলত উল্লেখ কৰা হ'ল—

(ক) কম্পিউটাৰ অতি দ্ৰুত গতিৰ যন্ত্ৰ।

(খ) কোনো এটা নিদৰ্শন (instruction) ৰ ফলাফল উলিয়াই দিয়াত কম্পিউটাৰৰ এক ছেকেণ্ডক এক মিলিয়নেৰে ভগালে যিমান সময় লাগে তাতকৈ কম সময়ত কম্পিউটাৰৰ গতিয়ে (Speed) কৰি দিয়ে।

(গ) আভ্যন্তৰীণ আহিলা (input equipment) ৰ দ্বাৰা গ্ৰহণ কৰা তথ্য যদি শুদ্ধ থাকে তেনেহ'লে কম্পিউটাৰে কেতিয়াও ভুল তথ্য দাঙি নধৰে।

(ঘ) কম্পিউটাৰে একেটা গতিত (Speed) অনবৰত কাম কৰি থাকে।

(ঙ) কম্পিউটাৰে স্মৃতিৰ ভঁড়াল (Memory store) ত অসংখ্য তথ্য সংৰক্ষণ কৰি থ'ব পাৰে।

(চ) যদি এটা কাম কেইবাবাৰো কৰিবলগীয়া হয় তেতিয়া হ'লে কম্পিউটাৰক মাত্ৰ এবাৰ নিৰ্দেশ (Instruction) দিলেহে হয়।

**কম্পিউটাৰৰ ব্যৱহাৰ (Uses of computer)ঃ**

উন্নত দেশসমূহত কম্পিউটাৰৰ ব্যৱহাৰে এক ব্যাপক সম্প্ৰসাৰণ লাভ কৰিবলৈ সক্ষম হৈছে। তলত উল্লেখ কৰা ক্ষেত্ৰসমূহত কম্পিউটাৰৰ ব্যৱহাৰ বিশেষভাৱে পৰিলক্ষিত হৈছে—

ক) উদ্যোগ আৰু বাণিজ্য (Trade & Industy), বৃত্তীয় আৰু প্ৰশাসনীয় (Financial and administrative) হিচাপ-নিকাচ কৰাত কম্পিউটাৰৰ বহুল প্ৰয়োগ কৰা হৈছে আৰু ইয়াৰ পৰা

DAILY ASSAM



সফলতাও পোৱা গৈছে।

খ) বৈজ্ঞানিক আৰু গৱেষকসকলে তেওঁলোকৰ কামৰ শুদ্ধতা, (accuracy) দক্ষতা (Proficiency) আৰু গতি (Speed) বঢ়োৱাৰ বাবে কম্পিউটাৰৰ বিশেষভাৱে সহায় লয়।

গ) কম্পিউটাৰে ব্যক্তিক বিভিন্ন ধৰণে ভাৱ বিনিময় কৰাত সহায় কৰে।

ঘ) কম্পিউটাৰে ব্যক্তি আৰু মেচিনৰ মাজত প্ৰত্যক্ষ যোগাযোগ ঘটায়, যিয়ে নক্সা আৰু উদ্যোগিক সামগ্ৰী (Manufacturing) প্ৰস্তুত কৰাত নতুন ধাৰণাৰ সৃষ্টি কৰিবলৈ উৎসাহ দিয়ে।

ঙ) ই চিকিৎসালয় আৰু উদ্যোগত (industries) বৈজ্ঞানিক গবেষণামূলক কাৰ্য চলোৱাত সহায় কৰিব পাৰে।

**কম্পিউটাৰৰ সহায়ত আগবঢ়োৱা নিৰ্দেশনাৰ সুবিধাসমূহ (Advatage of Computer aided Instruction)ঃ**

ক) ই নিৰ্দেশনা (Instruction) ৰ উপায় আৰু লক্ষ্য (Means and ends) ক ব্যক্তিগতকৰণ কৰিবলৈ সক্ষম হয়।

খ) ই নিয়ন্ত্ৰিত পৰিস্থিতিত (Controlled conditioned) আৰু বিভিন্ন ধৰণৰ শৈক্ষিক ক্ষেত্ৰত শিক্ষণ (Teaching) ৰ ওপৰত গৱেষণা চলোৱাত সক্ষম।

গ) ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক আৰু ব্যক্তিগত ফলাফলৰ পূৰ্ণ পৰ্যায়ৰ নথি-পত্ৰ (Record) সংগ্ৰহ কৰাত সহায় কৰে।

ঘ) কম্পিউটাৰে শিক্ষকক নিৰ্দেশনাৰ সামগ্ৰী

মনত ৰাখিবলগীয়া

(ক) শিক্ষাক্ষেত্ৰত কম্পিউটাৰৰ ব্যৱহাৰৰ ফলত পাঠ্যক্ৰমৰ লগত জড়িত বিভিন্ন তথ্য লাভ কৰিব পাৰে।

(খ) ছাত্ৰ-ছাত্ৰীয়ে কম্পিউটাৰ মেছিনৰ সহায়ত শিক্ষা প্ৰক্ৰিয়া সক্ৰিয় ভূমিকা গ্ৰহণ কৰে।

(গ) অসাধাৰণ ছাত্ৰ-ছাত্ৰী তথা মধ্যমীয়া আৰু পিছপৰা ছাত্ৰ-ছাত্ৰী আটায়ে নিজ নিজ ক্ষমতা অনুসৰি আগুৱাই যাব পাৰে।

(ঘ) ছাত্ৰ-ছাত্ৰীয়ে অবিৰাম গতিত পৰীক্ষাৰ ফলাফলসমূহ আহৰণ কৰিব পাৰে।

(ঙ) শিক্ষকসকলৰ বাবে কম্পিউটাৰ প্ৰযুক্তিবিদ্যা এক বৰদান স্বৰূপ কাৰণ ইয়াৰ জৰিয়তে অৰ্থাৎ (CCTV) ৰ সহায়ত পৰিদৰ্শন অতিকৈ সহজ সাধ্য হৈ পৰে।

(instructional materials) ৰ উন্নতিকৰণ (Development) ত সহায় কৰে।

**কম্পিউটাৰৰ শৈক্ষিক মূল্য (Educational Value of Computer)ঃ**

কম্পিউটাৰৰ শৈক্ষিক গুৰুত্ব যথেষ্ট। কম্পিউটাৰত বিভিন্ন ধৰণৰ তথ্য সংগ্ৰহ আৰু সংৰক্ষণ কৰি থোৱা হয়, ফলস্বৰূপে শিক্ষাৰ্থীসকলে নিৰ্ভয়ে তেওঁলোকৰ বিভিন্ন প্ৰশ্নৰ উত্তৰ আৰু পৰামৰ্শ আদি ইয়াৰ পৰা লাভ কৰিব পাৰে। পাঠ্যক্ৰমৰ লগত জড়িত বিভিন্ন তথ্য লাভ কৰিব পাৰে। পাঠ্যক্ৰমৰ লগত জড়িত বিভিন্ন তথ্য তেওঁলোকে কম্পিউটাৰৰ পৰা ল'ব পাৰে। ছাত্ৰ-ছাত্ৰীয়ে প্ৰশ্নৰ উত্তৰ-খুব সোনকালে পৰীক্ষা (Check) কৰি চাব পাৰে। ছাত্ৰ-ছাত্ৰীৰ সমস্যাৰ সমাধান কৰাৰ ক্ষমতা আৰু সৃজনীমূলক ক্ষমতাৰ বিকাশ সাধনত সহায় কৰে। কম্পিউটাৰৰ ব্যৱহাৰে তলত উল্লেখ কৰা ধৰণে শিক্ষাৰ জগতখনক সহায় কৰে—

ক) যেতিয়া ছাত্ৰ-ছাত্ৰীসকলে নিজে নিজে কম্পিউটাৰ মেচিনৰ লগত যোগাযোগ কৰে আৰু য'ত নিৰ্দেশনা উপস্থাপন কৰা হয়।

খ) যিসকল ছাত্ৰ-ছাত্ৰী, শ্ৰেণীকোঠাত ভালদৰে শিক্ষা লাভ কৰাৰ পৰা বঞ্চিত হয়।

গ) ই ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক উন্নতি পৰীক্ষা কৰাত সহায় কৰে।

ঘ) ই অসাধাৰণ (Exceptional) ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকে নিজস্ব ধৰণে শিকাৰ ক্ষেত্ৰত সহায় কৰিবলৈ সক্ষম হয়।

ঙ) শিক্ষকসকলক দৈনিক কাৰ্যক্ৰমণিকাৰ পৰা আহৰি দিয়ে যাৰ ফলত তেওঁলোকে প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ প্ৰতি মনোযোগী হ'বলৈ সবিধা পায়।

চ) ছাত্ৰ আৰু শিক্ষকে বিৰামহীনভাৱে ফলাফলসমূহ পাই থাকে কাৰণে তেওঁলোকে সোনকালেই নিজৰ ভুলবোৰ শুধৰাব পাৰে।

ছ) শ্ৰেণী কোঠাত কম্পিউটাৰৰ ব্যৱহাৰে ছাত্ৰীক যুক্তিসংগত চিন্তা ধাৰাৰ বিকাশ ঘটায়।

জ) প্ৰশাসনীয় অভিক্ষমতা (Administrative aptitude) আৰু শৈক্ষিক কৃতিত্বৰ অভীক্ষা (Achievement test) ত ই যথেষ্ট সহায়ক হয়।

ঝ) শৈক্ষিক প্ৰক্ৰিয়াত ছাত্ৰ-ছাত্ৰীক সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰাত ই সহায় কৰে।

ঞ) কম বয়সতে ছাত্ৰ-ছাত্ৰীক বহুতো খবৰ কম্পিউটাৰে যোগান ধৰিব পাৰে কাৰণে ইয়াক শিক্ষাৰ এটা অতি উপযোগী শিক্ষণীয় আহিলা হিচাপে ধৰা হয়।

DAILY ASSAM



**শিক্ষাত কম্পিউটাৰ ব্যৱহাৰৰ সীমাবদ্ধতা (Limitations of Computer in Education)ঃ**

যদিও বৰ্তমান সময়ত শিক্ষাৰ জগতখনত কম্পিউটাৰৰ বহুল ব্যৱহাৰ হৈছে; কিন্তু ইয়াৰ কিছুমান সীমাবদ্ধতাও নোহোৱা নহয়। এই সীমাবদ্ধতাসমূহ হ'ল—

ক) কম্পিউটাৰ অতি ব্যয়বহুল।

খ) ছফ্টৱেৰৰ কিছুমান ত্ৰুটি থকাও দেখিবলৈ পোৱা যায়।

গ) কম্পিউটাৰৰ মাধ্যমেৰে নিৰ্দেশনা (Instruction) দিবলৈ প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ প্ৰয়োজন।

ঘ) কম্পিউটাৰৰ পৰ্দাখন সৰু হোৱা বাবে এটা শ্ৰেণীকোঠাৰ সকলো ছাত্ৰই ভালদৰে দেখা নাপাবও পাৰে।

ঙ) আমাৰ বিদ্যালয়বোৰত পৰ্যাপ্ত পৰিমাণে শিক্ষাৰ সঁজুলি, সুসজ্জিত কোঠালী, প্ৰশিক্ষণপ্ৰাপ্ত কৰ্মচাৰী আৰু ছফ্টৱেৰ (Software) নাই।

**ইন্টাৰনেট (Internet)ঃ**

ইন্টাৰনেট হ'ল বহুতো নেটৱৰ্ক (Network)ৰ মাজৰে এটা নেটৱৰ্ক। পৃথিৱীৰ অসংখ্য কম্পিউটাৰৰ যোগসূত্ৰকে কম্পিউটাৰ নেটৱৰ্ক বোলা হয়। এটা নেটৱৰ্কত বহুতো কম্পিউটাৰ সংযোজন কৰা হয়। এই সংযোজন কাৰ্য কেব্‌ল (Cable) আৰু কৃত্ৰিম উপগ্ৰহ (Satellites)ৰ সহযোগত কৰা হয়। এনে ধৰণৰ বহু সংখ্যক নেটৱৰ্কক আকৌ পৰস্পৰৰ লগত সংযুক্ত কৰি.

মনত ৰাখিবলগীয়া

(ক) ইণ্টাৰনেট বহুতো নেটৱৰ্কৰ মাজৰ এটা নেটৱৰ্ক।

(খ) অসংখ্য কম্পিউটাৰৰ যোগসূত্ৰকে নেটৱৰ্ক বোলা হয়।

(গ) এনে নেটৱৰ্ক পৰস্পৰৰ সৈতে সংযুক্ত কৰাৰ ফলত ইণ্টাৰনেট ব্যৱস্থা উদ্ভৱ হয়।

(ঘ) প্ৰথম ইণ্টাৰনেট আমেৰিকাত ব্যৱহৃত হৈছিল।

(ঙ) ইণ্টাৰনেট সংযোগ কৰিবলৈ দৰকাৰী সামগ্ৰী সমূহ হ'ল—

১। এটা কম্পিউটাৰ।

২। এটা যোগাযোগ স্থাপন কৰিব পৰা ছফ্টৱেৰ।

৩। এটা টেলিফোন লাইন।

৪। এটা ম'ডেম।

তথ্য প্ৰযুক্তিয়ে আমাৰ ইন্টাৰনেটত উপস্থিত কৰাইছে। অৰ্থাৎ কোনো এটা মাত্ৰ নেটৱৰ্কেৰে ইন্টাৰনেট তৈয়াৰী হয়। সমগ্ৰ পৃথিৱীৰ অসংখ্য নেটৱৰ্ক পাৰস্পৰিকভাৱে সংযুক্ত হ'লেহে ইন্টাৰনেট তৈয়াৰ হয়।

১৯৬৯ চনত আমেৰিকাৰ মাৰ্কিন প্ৰতিৰক্ষা দপ্তৰে প্ৰথমে ইন্টাৰনেটক ARPANET (Advanced Research Projects Admini-stration Network) হিচাপে প্ৰথম প্ৰয়োগ আৰম্ভ কৰে। তাৰপাছত ১৯৮৪ চনত, (National Science Foundation) য়ে বিদ্যালয়সমূহক নেটৱৰ্কত ভৰ্তি হ'বলৈ অনুমতি দিছিল। এনেদৰে পিছৰ সময়ছোৱাত, বহুতো নেটৱৰ্ক সংঘবদ্ধ হৈ ইন্টাৰনেটৰ সৃষ্টি কৰিলে।

ইন্টাৰনেট ব্যৱহাৰৰ প্ৰধান সুবিধাসমূহ তলত উল্লেখ কৰা হ'ল—

ক) ইয়াত শেহতীয়া খবৰবোৰ সহজেই উপলব্ধ।

খ) গানো শুনিব পৰা যায়।

গ) ই অতি দ্ৰুতভাৱে বিশ্বৰ যিকোনো ঠাইলৈ তথ্য সৰবৰাহ কৰাত সহায় কৰে।

ঘ) ইয়াত খেল খেলিব পাৰি।

ঙ) বস্তু কিনা-বেচাও ইয়াৰ সহায়ত কৰিব পাৰি।

ছ) ইণ্টাৰনেটৰ সহায়ত বিজ্ঞাপনো প্ৰচাৰ কৰিব পাৰি।

ইণ্টাৰনেটৰ সংযোগ কৰিবলৈ আমাক তলত দিয়া সামগ্ৰীবোৰৰ প্ৰয়োজন হয়—

ক) এটা কম্পিউটাৰ (A Computer)।

খ) এটা যোগাযোগ কৰিব পৰা ছফ্‌টৱেৰ (A Communication Software)।

গ) এটা টেলিফোন লাইন (A Telephone Line)।

ঘ) এটা ম'ডেম (A Modem)।

ইণ্টাৰনেটৰ শৈক্ষিক সুবিধাসমূহ হ'ল—

ক) ছাত্ৰ-ছাত্ৰীসকলে ইণ্টাৰনেটৰ সহায়ত, তেওঁলোকে বিচৰা যিকোনো প্ৰশ্নৰ উত্তৰ পাব পাৰে।

খ) সমগ্ৰ বিশ্বৰ শেহতীয়া খবৰসমূহৰ বিষয়ে তেওঁলোকে ইণ্টাৰনেটৰ সহায়ত জানিব পাৰে।

### ই-মেইল (E-Mail)ঃ

E-Mail ৰ সম্পূৰ্ণ ৰূপটো হ'ল Electronic mail । ইলেকট্ৰনিক উপায়েৰে (Electronic device), চিঠিপত্ৰৰ আদান-প্ৰদান কৰাই ই-মেইলৰ প্ৰধান কাম। এই পদ্ধতিৰ দ্বাৰা বহুতো কম্পিউটাৰ বা ব্যক্তিগত কম্পিউটাৰ নেটৱৰ্কক পৃথিৱীৰ প্ৰতিটো কম্পিউটাৰৰ লগত সংযোগ কৰা হয়। ই-মেইলৰ বাবে আৱশ্যক হোৱা সা-

DAILY ASSAM



সঁজুলিবোৰ হ'ল-

ক) এটা কম্পিউটাৰ (A Computer)।

খ) এটা ম'ডেম (A Modem)।

গ) এটা টেলিফোন লাইন (A Telephone Line)।

ঘ) ইণ্টাৰনেট ছাৰ্ভিচ প্ৰ'ভাইডাৰ (Internet Service Provider)।

ঙ) ইণ্টাৰনেট ছফ্‌টওৱেৰ (Internet Software)।

চ) বাৰ্তাপ্ৰেৰক আৰু গ্ৰহণ কৰোঁতাৰ ই-মেইল ঠিকনা (E-mail address of both the senders and receiver)।

এই পদ্ধতিটোত বাৰ্তা প্ৰেৰক আৰু বাৰ্তা গ্ৰহণকাৰী, উভয়েৰে ই-মেইল ঠিকনা থকা দৰকাৰ। তেওঁলোকৰ একোটা নিজস্ব পাছৱৰ্ড (Pasword)থাকিব লাগে যিটোৱে তেওঁলোকৰ চিনাক্তকৰণ (identification)-ত সহায় কৰে। ইয়াক ই-মেইল আই ডি (E-mail ID) বোলা হয়। বাৰ্তাটো কম্পিউটাৰৰ কী-বোৰ্ডত মাত্ৰ টাইপ কৰি দিব লাগে। ই-মেইল ঠিকনাটো প্ৰথমে লিখিব লাগে। গ্ৰহণকাৰীয়ে (Receiver) তেওঁৰ কম্পিউটাৰত ই-মেইল আই ডি (E-mail ID) খুলিলেই বাৰ্তাটো পঢ়িব পাৰে। এই ক্ষেত্ৰত তেওঁৰ পাছৱৰ্ড (Password)-টো ব্যৱহাৰ কৰিব লাগে। প্ৰয়োজন অনুসৰি ডাউন ল'ড (Download) কৰি Internet ৰ সহায়ত ব্যক্তিয়ে চিঠিখন বা বাৰ্তাটোৰ প্ৰতিলিপি প্ৰিণ্টাৰত ৰাখি থ'ব পাৰে।

**ই-মেইলৰ সুবিধাসমূহ (Advantages of E-mail) ঃ**

ক) ডাক ব্যৱস্থাতকৈ (Postal Services) ই-মেইলে বহু বেছি দ্ৰুত গতিত কাম কৰে।

খ) ইয়াত কোনো ধৰণৰ ডাক-টিকটৰ প্ৰয়োজন নহয়।

গ) এক মুহূৰ্তৰ ভিতৰতে বাৰ্তা প্ৰেৰণ আৰু গ্ৰহণ কাৰ্য সম্পাদিত হয়।

ঘ) যোগাযোগৰ ই অতি কম-খৰচী ব্যৱস্থা।

ঙ) ই-মেইলৰ জৰিয়তে পৃথিৱীৰ যিকোনো প্ৰান্তৰ যিকোনো ব্যক্তিৰ লগত যোগাযোগ কৰিব পাৰি।

চ) যিহেতু সকলো শিক্ষানুষ্ঠানৰ নিজৰ ই-মেইল আই ডি থাকে, সেয়ে ছাত্ৰ-ছাত্ৰীসকলে ই-মেইলৰ সহায়ত খুব কম সময়ত তথা কম খৰচতে তেওঁলোকে বিচৰা প্ৰশ্নৰ উত্তৰ পাব পাৰে।

ছ) এই ব্যৱস্থাই বাৰ্তা প্ৰেৰণ গোপনীয়তা ৰক্ষা কৰাত সহায় কৰে।

জ) বাৰ্তা গ্ৰহণকাৰীলৈ (receiver) আমি ই-মেইলৰ জৰিয়তে সাংগিতীক ধ্বনিৰ লগতে ছবিও পঠাব পাৰো।

**চি ডি ৰোম (CD-ROM)ঃ**

চি ডি ৰোমৰ সম্পূর্ণ ৰূপটো হ'ল কম্পেক্ট ডিস্ক ৰিড অন্‌লী মেম'ৰী (Compact Disc- Read Only memory)। চি ডি ৰোম হ'ল এক বৃহৎ সংখ্যক সূচনা বা তথ্য সংৰক্ষণ ব্যৱস্থা।

**চি ডি ৰোমৰ বৈশিষ্ট্যসমূহ (CD-ROM)ঃ**

ক) কম্পিউটাৰত তথ্যপাতি সংৰক্ষিত কৰি ৰাখিবৰ বাবে সৰ্বাধুনিক আৰু সৰ্বশ্ৰেষ্ঠ মাধ্যম হ'ল চি ডি ৰোম। ইয়াৰ তথ্য সংৰক্ষণৰ ক্ষমতা বহু বেছি।

খ) ইয়াত সংৰক্ষিত হৈ থকা তথ্যসমূহ বেয়া হোৱাৰ সম্ভাৱনা কম।

গ) ৰোম (ROM)ৰ স্মৃতিত সংৰক্ষিত কোনো নিৰ্দেশ মচি পেলাব নোৱাৰি আৰু সেইবোৰ পৰিৱৰ্তনো কৰিব পৰা নাযায়।

**সুবিধাসমূহ (Advantages)ঃ**

ক) এখন চি ডিতেই বিভিন্ন ধৰণৰ বহুতো তথ্য সংৰক্ষণ কৰিব পাৰি।

খ) ইয়াত তথ্য সংগ্ৰহ কৰি ৰখাটো বৰ কম খৰচী।

গ) ইয়াত বহু সময়লৈ পাঠ (Text) , ছবি, খবৰ বা অন্যান্য বহুতো বা-বাতৰি সংৰক্ষণ কৰি ৰাখি থ'ব পাৰি।

ঘ) এটা কম্পিউটাৰৰ পৰা আন এটা কম্পিউটাৰলৈ অতি সহজেই তথ্যসমূহ অনা-নিয়া কৰিব পাৰি।

**ৱেব-চাইট (Web-Site)ঃ**

ৱেব চাইট হ'ল ৱেব পেজ (Web page)ৰ সমষ্টি যিবিলাক কোনো সামাজিক সংগঠন, অনুষ্ঠান, যেনে- বিশ্ববিদ্যালয়, ব্যৱসায়িক কেন্দ্ৰ, গৱেষণা প্ৰতিষ্ঠান, লাইব্ৰেৰী, সমাজ কল্যাণমূলক সংস্থাক চৰকাৰে ৰক্ষণাবেক্ষণ দিয়ে আৰু শেহতীয়া তথ্যপাতি অন্তৰ্ভুক্ত কৰি থয়। প্ৰতিটো ৱেব চাইট WWW ৰে আৰম্ভ হয়, যিটো বহুতো সেৱাৰ (Services) ভিতৰত এটা সেৱা আৰু যিটো হাইপাৰটেক্স (hypertext) ৰ জৰিয়তে সংযোগ কৰা হয়। ৱেব পেজসমূহ এটা ব্ৰাউচাৰৰ (browser) জৰিয়তে ৱেব চাৰভাৰৰ (Web

মনত ৰাখিবলগীয়া

(ক) প্ৰতিটো ৱেব চাইট WWW ৰে আৰম্ভ হয়।

(খ) ৱেব চাইটসমূহ ৱেব পেজৰ সমষ্টি, প্ৰতিটো ৱেব চাইটতে একোটা হোম পেজ (Home page) থাকে।

(গ) ৱেব পেজসমূহে এটা ব্ৰাউচাৰৰ জৰিয়তে ডাউন লোড (download) কৰাত সহায় কৰে।

(ঘ) প্ৰত্যেক ৱেব পেজৰ নিজৰ ৱেব পৰিচয় (Web-adderss)থাকে।

DAILY ASSAM



server) পৰা মূল্যাংকন (assessed) কৰা হয় আৰু ই আমাক ৱেবৰ যিকোনো কম্পিউটাৰত পঢ়া, বিচৰা, তথ্যপাতি ডাউন লোড (download) কৰা ফটʼ, শব্দ আৰু দৰ্শন (Video) কৰাত সহায় কৰে।

প্ৰতিটো ৱেব চাইটতে একোটা হোম পেজ (Home page) থাকে যিটো ব্যৱহাৰকাৰীয়ে প্ৰথমেই প্ৰত্যক্ষ কৰে। প্ৰত্যেক ৱেব পেজৰ নিজৰ নিজৰ ৱেব পৰিচয় (Web-adderss) আছে যাক Uniform Resources Locator (URL) বুলি কোৱা হয়।

**ৱেবচাইটৰ সুবিধা (Advantages of Website) ঃ**

ক) যিকোনো অনুষ্ঠানে ৱেব চাইট খুলিব পাৰে। অনুষ্ঠানটোৰ সকলো তথ্যপাতি আৰু সা-সুবিধাৰ বিষয়ে ৱেব চাইটত উল্লেখ কৰিব পাৰে ।

খ) প্ৰয়োজন অনুসৰি যিকোনো ব্যক্তিয়ে ৱেব চাইটৰ বুটাম টিপিয়েই অনুষ্ঠানটোৰ বিষয়ে যিকোনো তথ্য লাভ কৰিব পাৰে।

গ) পৃথিৱীৰ যিকোনো ঠাইৰে শিক্ষানুষ্ঠান বা যিকোনো অনুষ্ঠান-প্ৰতিষ্ঠানৰে নিজস্ব ৱেবচাইট আছে।

ঘ) ছাত্ৰ-ছাত্ৰীসকলে দূৰৈত বা দেশ - বিদেশত অৱস্থিত যিকোনো বিশ্ববিদ্যালয়, মেডিকেল, ইঞ্জিনীয়াৰিং বা তেওঁলোকে পঢ়িব বিচৰা যিকোনো শিক্ষানুষ্ঠানৰ বিষয়ে সবিশেষ জানিবলৈ ৱেবচাইটৰ সহায় লʼব পাৰে।

**দূৰালাপ সন্মিলন (Teleconference) ঃ**

দূৰত্ব শিক্ষা পদ্ধতিৰ আটাইতকৈ উপযোগী পদ্ধতিটো হৈছে দূৰ সন্মিলন প্ৰণালী। এই প্ৰণালীটো গোটেই বিশ্বজুৰি জনপ্ৰিয়। এই ব্যৱস্থাত বহু দূৰৰ দুজন বা ততোধিক ব্যক্তিয়ে পৰস্পৰে কেনো বিষয়ে আলোচনা কৰিব পাৰে।

ই মুখ্যতঃ তিনি প্ৰকাৰৰ—

ক) শ্ৰব্য দূৰালাপ সন্মিলন (Audio Teleconferencing)

খ) দৃশ্য দূৰালাপ সন্মিলন (Video Teleconferencing)

গ) কম্পিউটাৰ দূৰালাপ সন্মিলন (Computer Teleconferencing)

**দূৰালাপ সন্মিলনৰ শৈক্ষিক গুৰুত্ব—**

ক) দূৰত্ব শিক্ষা পদ্ধতিত সৰহ সংখ্যক শিক্ষাৰ্থী বিভিন্ন ঠাইত সিঁচৰতি হৈ থাকে। তেনে শিক্ষাৰ কেন্দ্ৰবোৰত খুব কম সংখ্যক শিক্ষাৰ্থীহে থাকে। এনে ক্ষেত্ৰত এইসকল শিক্ষাৰ্থী দূৰালাপ সন্মিলনৰ দ্বাৰা বিশেষভাৱে উপকৃত হোৱা দেখা যায়।

খ) শিক্ষাৰ অন্যান্য মাধ্যমৰ তুলনাত দূৰালাপ সন্মিলনৰ ব্যয় বহুত কম।

গ) ই শিক্ষাৰ এক নমনীয় (Flexible) মাধ্যম।

ঘ) শ্ৰেণী কক্ষৰ বাবে উপযোগী কৰি দূৰালাপ সন্মিলন অতি সহজে খাপ খুৱাই ল'ব পাৰি।

ঙ) দূৰালাপ সন্মিলন পদ্ধতিটো আলোচনা চক্ৰৰ দৰে হোৱা কাৰণে শিক্ষাৰ্থীসকলৰ মাজত প্ৰতিক্ৰিয়া কৰিবলৈ আগ্ৰহৰ সৃষ্টি হোৱা দেখা যায়।

চ) ইয়াত শিক্ষাৰ্থীসকলে শিক্ষকসকলক প্ৰশ্ন সুধিবলৈ সুবিধা পায় আৰু তাৎক্ষণিকভাৱে প্ৰশ্নৰ উত্তৰো পায়।

ছ) দূৰলাপ সন্মিলনযোগে প্ৰদত্ত শিক্ষাৰ মান সাধাৰণতে উচ্চস্তৰৰ হয়।

জ) যদি যথাযথভাৱে এই ব্যৱস্থাটো ব্যৱহাৰ কৰা হয় ; তেন্তে ই শিক্ষাৰ আটাইতকৈ ফলদায়ক মাধ্যম হিচাপে পৰিগণিত হ'ব।

| শিক্ষাত ব্যৱহৃত প্ৰযুক্তি |
|---|
| কম্পিউটাৰ |
| ইন্টাৰনেট |
| ই-মেইল |
| দূৰালাপ সন্মিলন |
| ৱেব-চাইট |
| চিডি-ৰোম |

**মানৱ সম্পদ (Human Resources)ঃ**

মানৱ সম্পদ স্কুল প্ৰতিষ্ঠানৰ এক গুৰুত্বপূৰ্ণ অংগ। স্কুলৰ মানৱ সম্পদবোৰ হ'ল-

(১) শিক্ষক।

(২) ছাত্ৰ-ছাত্ৰী।

(৩) কৰ্মচাৰী।

**(ঘ) শিক্ষক (Teacher) ঃ** এখন পূৰ্ণাংগ স্কুল-প্ৰতিষ্ঠাৰ বাবে আটাইতকৈ প্ৰয়োজনীয় মানৱ সম্পদ হ'ল শিক্ষক। শিক্ষকেই ছাত্ৰ-ছাত্ৰীৰ অভ্যাস, আচৰণ,স্বাভাৱ-চৰিত্ৰ আৰু ব্যক্তিত্বক গঢ় দিয়ে।

পূৰ্বৰ ৰাষ্ট্ৰপতি ড° জাকিৰ হুছেইনে (Dr. Zakir Hussain) কৈছিল, “শিক্ষকসকলেই হ'ল প্ৰকৃতাৰ্থত জাতিৰ ভাগ্য নিৰ্মাতা” (Teachers are literally the arbiters of a nation's destiny)।

ফ্ৰবেল (Froebel)ৰ মতে, “শিক্ষক হলে ছাত্ৰ ছাত্ৰীৰ বন্ধু, দাৰ্শনিক পৰিচালক” (Friend, Philosopher and guide)

সৰ্বপল্লী ৰাধাকৃষ্ণণে (Sarvapalli Radhakrishnan) কৈছিল, “শিক্ষক হ'ল এডাল মমবাতিৰ দৰে যিয়ে নিজেই জ্বলি জ্বলি আনক পোহৰ দিয়ে” (The teacher is like the candle which light others in consuming itself)।

DAILY ASSAM



ৰবীন্দ্ৰনাথ ঠাকুৰে (Rabindranath Tagore) কৈছিল, "যদি কোনো বৃত্তিক আটাইতকৈ বেছি গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰা হয়; তেন্তে মই স্কুলৰ শিক্ষকৰ বৃত্তিয়েই আগস্থান পাব লাগে বুলি বিশ্বাস কৰো" (If there is any profession of paramount importance, I believe it is that of the School master)।

ওপৰৰ মন্তব্যসমূহৰ পৰা এইটো স্পষ্ট হৈ পৰে যে, শিক্ষণ বৃত্তি হ'ল এক পবিত্ৰ বৃত্তি আৰু সেয়েহে ছাত্ৰ-ছাত্ৰীৰ চৰিত্ৰ আৰু ব্যক্তিত্বক গঢ় দিয়াত শিক্ষকৰ এক ডাঙৰ ভূমিকা থাকে। শিক্ষকে সুচলকাৰী (facilitator), অভিপ্ৰেৰক (Motivator) আৰু পৰামৰ্শদাতা (Counsellor) হিচাপে নানা ভূমিকা গ্ৰহন কৰিব লাগে। ইয়াত আমি শিক্ষকৰ বিভিন্ন গুণৰ বিষয়ে আলোচনা কৰিম—

**শিক্ষকৰ ব্যক্তিগত গুণাৱলী (Personal Qualities of A Teacher) ঃ**

ক) ছাত্ৰ-ছাত্ৰীৰ লগত শিক্ষকজনে বন্ধু, দাৰ্শনিক আৰু পথ-প্ৰদৰ্শকৰ ভূমিকা ল'ব লাগে।

খ) শিক্ষক বৃত্তিটোৰ প্ৰতি তেওঁৰ শ্ৰদ্ধা থকা দৰকাৰ।

গ) শিশুৰ প্ৰতি তেওঁৰ এক স্বভাৱসুলভ মৰম-ভালপোৱা থাকিব লাগে।

ঘ) তেওঁৰ স্বৰধ্বনি ডাঙৰ আৰু স্পষ্ট হ'ব লাগে।

ঙ) তেওঁ নিয়মানুৱৰ্তিতা অটুট ৰখা উচিত।

চ) তেওঁ মৃদু হাস্যৰসী হ'ব লাগে।

ছ) তেওঁ শাৰীৰিক আৰু মানসিকভাৱে সুস্থ-সবল হ'ব লাগে।

জ) শিক্ষকৰ আটাইতকৈ প্ৰয়োজনীয় গুণটো হ'ল তেওঁ ছাত্ৰ-ছাত্ৰীসকলৰ লগত থকাৰ সময়ত পক্ষপাতমূলক আচৰণ পৰিহাৰ কৰা।

ঝ) তেওঁ নম্ৰ আৰু সজ আচৰণৰ অধিকাৰী হ'ব লাগে।

**শিক্ষকৰ বৃত্তিমূলক গুণাৱলী (Professional qualitites of a teacher) ঃ**

শিক্ষকৰ ব্যক্তিগত বা জন্মগত গুণসমূহৰ বাহিৰেও তেওঁলোকৰ নিজৰ বৃত্তিগত গুণাৱলীৰ বিকাশ ঘটাব লাগে।

ক) **বিষয়বস্তুৰ ওপৰত দক্ষতা (Mastery of the subject mater) ঃ** নিজৰ বিষয়ৰ ওপৰত শিক্ষকৰ পৰ্যাপ্ত পৰিমাণৰ দক্ষতা থকা দৰকাৰ। নিজৰ বিষয়ৰ ওপৰত থকা যিকোনো অজ্ঞতাই শিক্ষকজনৰ ছাত্ৰ-ছাত্ৰীৰ আগত সন্মান হানিৰ সম্ভাৱনা আহি পৰে। বিষয় সম্বন্ধীয় কিতাপ, আলোচনী, পৰিশীলন, প্ৰশিক্ষণ আদিৰ পৰা শিক্ষা গ্ৰহণ কৰি শিক্ষকজনে নিজৰ বিষয়বস্তুৰ ওপৰত জ্ঞান আহৰণ পৰিব পাৰে।

খ) **শিক্ষণ পদ্ধতিৰ ওপৰত সম্যক জ্ঞান (Grasp over the method)ঃ** শিক্ষকে ছাত্ৰ-ছাত্ৰীক জ্ঞানদান কৰিবলৈ প্ৰকৃত পদ্ধতি গ্ৰহণ কৰা উচিত। সিয়ে তেওঁৰ শিক্ষকতাক বেছি ফলদায়ক কৰি তুলিব।

গ) **পৰিকল্পনা আৰু প্ৰস্তুতি (Planning and preparation)ঃ** শ্ৰেণীত পাঠদান কৰাৰ আগতে শিক্ষকে নিজকে শ্ৰেণীটোৰ পৰিবেশৰ লগত খাপ-খুৱাই ল'বলৈ প্ৰস্তুত হ'ব লাগে। শ্ৰেণীত পাঠদান কৰাৰ আগত সেই পঠনীয় বিষয়টো শিক্ষকসকলে আগতীয়াকৈ প্ৰস্তুত কৰি ল'ব লাগে।

ঘ) **প্ৰত্যেক ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিত্বৰ প্ৰতি সন্মান প্ৰদৰ্শন (Respect for the individuality of each child)ঃ** প্ৰত্যেক ছাত্ৰ-ছাত্ৰীৰে যে সুকীয়া সুকীয়া ব্যক্তিত্ব আছে, সেই বিষয়ে শিক্ষকজনে বুজা উচিত। তেওঁ ছাত্ৰ-ছাত্ৰীৰ অনুভূতি আৰু দৃষ্টিভংগীক গুৰুত্ব প্ৰদান কৰা দৰকাৰ।

ঙ) **শিশু মনোবিজ্ঞানৰ ওপৰত থকা জ্ঞান (Knowledge of child psychology)ঃ** শিশু মনোবিজ্ঞান আৰু শিক্ষা মনোবিজ্ঞান সম্বন্ধে শিক্ষকৰ জ্ঞান থকা উচিত। ই শিক্ষকজনক ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন সমস্যা বুজাত আৰু সঠিক সমাধান দিয়াত সফল কৰি তুলিব পাৰে।

চ) **প্ৰশ্ন সোধাৰ কৌশল (Skill in questioning)ঃ** ছাত্ৰ-ছাত্ৰীক প্ৰশ্ন সোধাৰ কৌশল শিক্ষকসকলে আয়ত্ব কৰি ল'ব লাগে। তেওঁ প্ৰশ্ন সোধাৰ কলা জনা দৰকাৰ। কোৱা হয় যে, যিয়ে শুদ্ধকৈ প্ৰশ্ন সুধিব পাৰে; তেওঁহে ভাল শিক্ষা প্ৰদান কৰিব পাৰে। পাঠ্যক্ৰমৰ ওপৰত সঠিক প্ৰশ্ন সুধি শিক্ষকে ছাত্ৰ-ছাত্ৰীক অজ্ঞান- আন্ধাৰৰ পৰা পোহৰ আৰু জ্ঞানৰ জগতলৈ লৈ যাব পাৰে।

> মনত ৰাখিবলগীয়া
>
> শিক্ষকৰ লেখত ল'বলগীয়া গুণসমূহ—
>
> (ক) বিষয়বস্তুৰ পৰ্যাপ্ত জ্ঞান।
>
> (খ) শিক্ষণৰ পদ্ধতি সম্পৰ্কে জ্ঞান।
>
> (গ) প্ৰত্যেক ছাত্ৰ-ছাত্ৰীক সমান গুৰুত্ব প্ৰদান।
>
> (ঘ) শিশু মনোবিজ্ঞান সম্পৰ্কে থকা জ্ঞান।
>
> (ঙ) প্ৰশংসা আৰু শাস্তিৰ ন্যায়িক ব্যৱহাৰ।

DAILY ASSAM



ছ) **জ্ঞান অৰ্জনৰ বাবে থকা হেঁপাহ আৰু পৰীক্ষামূলক উদ্যম (Thirst for knowledge and experimental spirit)ঃ** শিক্ষকজনে তেওঁৰ পাঠ্যক্ৰমৰ কিতাপসমূহৰ বাহিৰেও জীৱনৰ লগত সম্পৰ্ক থকা বিভিন্ন ধৰণৰ কিতাপ পঢ়ি নিজকে সতেজ কৰি ৰাখিব লাগে।

জ) **সহ পাঠ্যক্ৰম সম্বন্ধীয় ক্ৰিয়া -কলাপৰ ওপৰত থকা আগ্ৰহ (Interest in co-curricular activities)ঃ** শিক্ষকে সহপাঠ্যক্ৰম সম্বন্ধীয় ক্ৰিয়া-কলাপ আৰু স্কুলৰ বিভিন্ন অনুষ্ঠানৰ লগত নিজকে জড়িত কৰিব লাগে।

ঝ) **নীতি-নিয়মৰ প্ৰতি সজাগতা (Awareness of the rules and regulation)ঃ** স্কুলৰ বিভিন্ন নিয়ম-কানুন শিক্ষকজনে মানি চলিব লাগে।

ঞ) **প্ৰশংসা আৰু শাস্তিৰ ন্যায়িক ব্যৱহাৰ (Awareness of the rules and regulation)ঃ** শিক্ষকজনে প্ৰয়োজন মতেহে ছাত্ৰ-ছাত্ৰীক প্ৰশংসা বা শাস্তি প্ৰদান কৰিব লাগে। প্ৰশংসা আৰু শাস্তিয়েই হ'ল শিক্ষকৰ হাতত থকা দুপাত অস্ত্ৰ আৰু ইয়াক তেওঁ ন্যায়িকভাৱে ব্যৱহাৰ কৰিব লাগে।

**সুচলকাৰী হিচাপে শিক্ষকৰ ভূমিকা (Role of Teacher as Facilitator) ঃ**

শিক্ষকে "শিক্ষণ সুচলকাৰী" (Learning Facilitator) হিচাপে এক ডাঙৰ দায়িত্ব সম্পাদন কৰিব লাগে। তেওঁ ছাত্ৰ-ছাত্ৰীক এনেদৰে শিকোৱা উচিত যাতে তেওঁলোকে সহজেই সেই শিক্ষা আহৰণ কৰি ল'ব পাৰে। সুচলকাৰী হিচাপে তেওঁ তলৰ স্তৰসমূহ গ্ৰহণ কৰিব লাগে।

ক) শ্ৰেণীকোঠাত পাঠদান কৰাৰ আগতে শিক্ষকজনে নিজকে সাজু কৰি ল'ব লাগে আৰু প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীয়ে যাতে পাঠদানৰ সময়ত কৰিব লাগে।

খ) তেওঁ শিক্ষাদানৰ বিভিন্ন উপায় অৱলম্বন কৰিব লাগে।

গ) তেওঁ পাঠদান কৰাৰ লগতে যিকোনো সময়ত ছাত্ৰ-ছাত্ৰীক বিষয়টোৰ ওপৰত প্ৰশ্ন সুধিব পাৰে আৰু প্ৰশ্নোত্তৰৰ কাৰণে তেওঁ ছাত্ৰ-ছাত্ৰীক কিছুসময় দিব লাগে।

ঘ) শিক্ষকে ছাত্ৰ-ছাত্ৰীক পাঠদানৰ সময়ত বিভিন্ন কথা কোৱাৰ পৰিৱৰ্তে প্ৰশ্নৰ উত্তৰ সঠিকভাৱে দিবলৈ উৎসাহিত কৰিব লাগে।

ঙ) তেওঁ ছাত্ৰ-ছাত্ৰীৰ বহীবোৰ নিৰীক্ষণ কৰিব লাগে আৰু কিবা ভুল কৰিলে সেই ভুলৰ শুধৰণি কৰি ছাত্ৰ-ছাত্ৰীক বুজাই দিব লাগে।

চ) পাঠদান আৰু শিক্ষণৰ ওপৰত তেওঁ বিভিন্ন প্ৰকাৰৰ কৌশল বা নিয়ম অৱলম্বন কৰিব লাগে।

খ) তেও ছাত্ৰ-ছাত্ৰীক নিজৰ চিন্তাৰে সমাধান কৰিব পৰা প্ৰশ্ন সুধিব লাগে।

গ) বিভিন্ন বিষয়ত ছাত্ৰ-ছাত্ৰীয়ে কৰা ভুলবোৰ তেওঁ শ্ৰেণীকোঠাত সকলোৰে আগত বুজোৱাৰ পৰিৱৰ্তে প্ৰত্যেক ছাত্ৰ-ছাত্ৰীৰ লগতে ব্যক্তিগতভাৱে সেই ভুল শুধৰণি কৰা উচিত।

**অভিপ্ৰেৰক হিচাপে শিক্ষকৰ ভূমিকা (Teacher as a Motivator)ঃ**

এজন শিক্ষক তেওঁৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এজন অভিপ্ৰেৰক হ'ব পাৰে। তলত দিয়া নিয়মসমূহ অভিপ্ৰেৰক হ'বৰ বাবে প্ৰয়োজনীয়—

ক) শিক্ষকজনে তেওঁৰ বিষয়ৰ ওপৰত এক স্পষ্ট জ্ঞান ছাত্ৰ-ছাত্ৰীসকলক দিয়া উচিত।

খ) তেওঁ নিজৰ শিক্ষকতাক সফল আৰু মনোগ্ৰাহী কৰি তুলিবলৈ বিভিন্ন প্ৰকাৰৰ শিক্ষণ কৌশল অৱলম্বন কৰি তুলিবলৈ বিভিন্ন প্ৰকাৰৰ শিক্ষণ কৌশল অৱলম্বন কৰিব পাৰে।

গ) এটা সম্পূৰ্ণভাৱে সু-সজ্জিত কোঠাক তেওঁ শ্ৰেণী কোঠা হিচাপে বাচি ল'ব লাগে যাতে ছাত্ৰ-ছাত্ৰীসকলে পাঠদানৰ সময়ত এক সুস্থ পৰিবেশ গঢ়ি ল'ব পাৰে।

ঘ) সময়ে সময়ে কোনো বিশেষ শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ লগত সময় দিব লাগে যাতে তেওঁলোকে বাহ্যিক জগতখনৰ বিষয়ে নিজৰ জ্ঞানৰ পৰিসৰ বঢ়াব পাৰে।

ঙ) পাঠদানৰ সময়ত শিক্ষকে বিভিন্ন পৰিঘটনা আৰু উদাহৰণৰ সহায় লোৱা উচিত।

**পৰামৰ্শদাতা হিচাপে শিক্ষকৰ ভূমিকা (Teacher as a Counselor)ঃ**

এজন শিক্ষকে তেওঁৰ ছাত্ৰ-ছাত্ৰীসকলক বুজা দৰকাৰ। তেওঁ ছাত্ৰ-ছাত্ৰীৰ বাবে বন্ধু-দাৰ্শনিক আৰু পথ প্ৰদৰ্শকৰ ভূমিকা ল'ব লাগে। যিকোনো প্ৰকাৰৰ পৰামৰ্শ বা তত্বাৱধানৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে সদায় শিক্ষকজনকহে বাচি লয়।

শিক্ষক এজন পৰামৰ্শদাতা হ'বৰ বাবে তলত দিয়া নিয়মসমূহ মানি চলিব লাগে-

ক) ছাত্ৰ-ছাত্ৰীৰ ঘৰুৱা অৱস্থাৰ লগত শিক্ষকজন পৰিচিত হ'ব লাগে।

খ) ছাত্ৰ-ছাত্ৰীৰ স্বাস্থ্য, তেওঁলোকে পৰীক্ষাত পোৱা নম্বৰ আদি বিষয় শিক্ষকজনে অধ্যয়ন কৰা উচিত।

গ) ছাত্ৰ-ছাত্ৰীসকলৰ মাজত থকা ব্যক্তিগত পাৰ্থক্য তেওঁ চিনি পোৱা দৰকাৰ।

DAILY ASSAM



ঘ) ব্যক্তিগত আৰু পাঠ্য সম্বন্ধীয় যিকোনো সমস্যা ছাত্ৰ-ছাত্ৰীসকলে যাতে বিনা দ্বিধাই শিক্ষকজনক সুধিব পাৰে তাৰ বাবে তেওঁ বন্ধুভাৱাপন্ন মনোভাৱ গঢ়ি লোৱা উচিত।

ঙ) তেওঁ ছাত্ৰ-ছাত্ৰীসকলৰ দৈনন্দিন সকলো তথ্য সংগ্ৰহ কৰিব লাগে।

চ) ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন সমস্যা সমাধান কৰাত শিক্ষকসকলে নিয়মিতভাৱে তেওঁলোকক সহায় কৰা দৰকাৰ।

ছ) ছাত্ৰ-ছাত্ৰীৰ সমস্যাসমূহৰ এক সফল সমাধান পাবৰ বাবে শিক্ষকজনে স্কুলৰ আন আন কৰ্মচাৰীৰ সৈতে আলোচনা কৰিব লাগে।

**নতুন পৰিস্থিতিত শিক্ষকৰ সন্মুখত দেখা প্ৰত্যাহ্বানসমূহ (Challenges before the teachers in the new context) ঃ**

বৰ্তমান সময়ত শিক্ষকৰ ভূমিকা অধিক প্ৰত্যাহ্বানমূলক, জটিল আৰু বহুমুখী হোৱাৰ কাৰণবোৰ হ'ল—

ক) জীৱনৰ প্ৰতিটো দিশতে জ্ঞানৰ যথেষ্ট বিকাশ হৈছে আৰু ই শিক্ষকৰ ভূমিকাৰ প্ৰত্যাহ্বানমূলক কৰি তুলিছে।

খ) তেওঁ প্ৰত্যেক দিনাই নতুন নতুন ধাৰণা যেনে ব্যক্তিবিশেষক দিয়া নিৰ্দেশ, অনুশিক্ষণ আদিৰে পৰিপুষ্ট হ'ব লাগে।

গ) ৰেডিঅ', দুৰদৰ্শন আদি গণমাধ্যমসমূহৰ বৰ্ধিত প্ৰভাৱৰ কাৰণে শিক্ষকে ইয়াক শিক্ষণ প্ৰক্ৰিয়াত উচিত ব্যৱহাৰ কৰিব লগা হৈছে।

ঘ) ভাল সামাজিক আৰু অৰ্থনৈতিক গোটৰ ল'ৰা-ছোৱালীৰ লগতে নিম্ন আৰ্থ-সামাজিক গোটৰ ল'ৰা-ছোৱালী যিসকল শিক্ষকতকৈ অধিক প্ৰতিভাসম্পন্ন এইসকলৰ লগত একে সময়তে শিক্ষকজনে পৰিচালনা কৰিব লাগে।

ঙ) জীৱনৰ প্ৰতি এক গণতান্ত্ৰিক, ব্যৱহাৰিক আৰু সামাজিক ধাৰণা শিক্ষকে গ্ৰহণ কৰিব লাগে।

চ) বৰ্তমান যুগত শিক্ষকসকলে নিজৰ বিষয়ৰ ওপৰত এক বহল দৃষ্টিভংগী ল'ব লাগে।

ছ) শিক্ষকসকলে 'কৰ্ম অভিজ্ঞতা', সামাজিকভাৱে উপযোগী আৰু উৎপাদনমুখী কৰ্ম', সমাজ সেৱা আদি ধাৰণাসমূহেৰে নিজকে পৰিপুষ্টি কৰিব লাগে।

**বিদ্যালয়ত শিক্ষকৰ ভূমিকা (Role of Teacher in School) ঃ**

ওপৰত উল্লেখ কৰি অহা হৈছে যে শিক্ষক, ছাত্ৰ-ছাত্ৰীৰ কাৰণে বন্ধু, পথ-প্ৰদৰ্শক আৰু দাৰ্শনিক। কিন্তু

যোগ্য শিক্ষক সেইজন, যিজনে তেওঁৰ ভূমিকা সুন্দৰভাৱে বুজিব পাৰে আৰু নিজৰ বৃত্তিক ভাল পায়। শিক্ষকে তেওঁৰ কৰ্মত সফল হ'বলৈ তলত উল্লেখ কৰা কৰ্তব্যসমূহ পালন কৰিব লাগে—

(ক) শ্ৰেণীকোঠাত শিক্ষাদান কাৰ্য আৰম্ভ হোৱাৰ আগতে শিক্ষকে শিকাবলগীয়া বিষয়টোত পৰিকল্পনা কৰা উচিত।

(খ) শিক্ষকে শ্ৰেণীত শিকাবলগীয়া পাঠসমূহৰ আৰু শৈক্ষিক পদ্ধতিৰ সবিশেষ পৰিকল্পনা কৰা উচিত। তেওঁ শ্ৰেণী কোঠাত কেনেধৰণৰ শিক্ষা সঁজুলি ব্যৱহাৰ কৰিব সেই সম্বন্ধেও পৰিকল্পনা কৰি লোৱা প্ৰয়োজন। এই সমূহ কাম ছাত্ৰ-ছাত্ৰীৰ বিকাশৰ স্তৰ অনুযায়ী কৰা হ'ব লাগে।

(গ) ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন ধৰণৰ সহ-পাঠ্যক্ৰম কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ শিক্ষকে উৎসাহ দিয়া উচিত। তেওঁ নিজে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰিলেহে এই কামত সফল হ'ব।

(ঘ) শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক মূল্যাংকন কৰিবলৈ চেষ্টা কৰা উচিত। ছাত্ৰ-ছাত্ৰীসকলে যাতে বছৰেকীয়া অথবা চূড়ান্ত পৰীক্ষালৈ সম্পূৰ্ণভাৱে সাজু হ'ব পাৰে তাৰ বাবে শিক্ষকে সাময়িকী পৰীক্ষা (Terminal tests) অনুষ্ঠিত কৰিব লাগে।

(ঙ) শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ প্ৰতিটো দিশৰ অগ্ৰগতিৰ বিৱৰণ লিখিতভাৱে ৰাখিব লাগে। এনে বিৱৰণীসমূহ শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক আন্তৰিকতাৰে নিয়মানুৱৰ্তী কৰি তুলিবলৈ নিজেই তেওলোকৰ কাৰণে আদৰ্শ হোৱা উচিত।

**সমাজত শিক্ষকৰ ভূমিকা (Role of Teacher in Society) ঃ**

সমাজত শিক্ষকৰ এখন সুকীয়া স্থান আছে। শিক্ষকতাক এটা মহৎ বৃত্তি বুলি ধৰি লোৱা হয়। মানুহে প্ৰয়োজনৰ সময়ত শিক্ষকৰ পৰামৰ্শ ল'বলৈ বিচাৰে। এইটোৱে সমাজৰ বিকাশত শিক্ষকক অধিক দায়িত্বশীল কৰি তোলে। শিক্ষকে সামাজিক বিকাশত বিভিন্নধৰণে সহায় কৰিব পাৰে। তাৰ কিছুমান তলত উল্লেখ কৰা হ'ল—

(ক) কিছুমান গুৰুত্বপূৰ্ণ দিন যেনে— শিক্ষক দিৱস, স্বাধীনতা দিৱস, শিশু দিৱস আদি সমূহীয়াভাৱে পাতিবলৈ চেষ্টা কৰা উচিত।

(খ) কিছুমান স্থানীয় উৎসৱ অনুষ্ঠিত কৰি তাত সমজুৱা সকলক অংশ গ্ৰহণ কৰিবলৈ উদ্‌গনি দিয়া উচিত।

(গ) শিক্ষকে মানুহৰ মনৰ পৰা সামাজিক অন্ধবিশ্বাস আৰু ঠেক মনোভাৱ আঁতৰাবলৈ চেষ্টা কৰি উচিত।

DAILY ASSAM



(ঘ) শিক্ষকে পৰিয়াল কল্যাণ, ড্ৰাগছৰ পৰা হ'ব পৰা বিপদ, চাফ-চিকুণতাৰ আৱশ্যকতাৰ ওপৰত সমাজ কল্যাণমূলক আঁচনি গ্ৰহণ কৰিব লাগে।

(ঙ) শিক্ষকে ছাত্ৰসকলক সামাজিক ক্ৰিয়া কলাপত অংশ গ্ৰহণ কৰিবলৈ উদ্‌গনি দিয়া প্ৰয়োজন।

(চ) শিক্ষক সমাজে প্ৰাপ্ত বয়স্ক শিক্ষাৰ আঁচনি গ্ৰহণ কৰিব লাগে।

(ছ) শিক্ষকসকলে সমজুৱা সকলক মাতি আনি তেওঁলোকৰ দিশত থকা অভিজ্ঞতাৰ বিষয়ে আলোচনা কৰিব লাগে।

(জ) ধূমপান আৰু মদ-সেৱনৰ অপকাৰমূলক দিশৰ বিষয়ে শিক্ষকে মানুহক সজাগ কৰিব লাগে।

(ঝ) প্ৰত্যেকে যাতে তেওঁলোকৰ আজৰি সময়খিনিৰ সৎ ব্যৱহাৰ কৰিব পাৰে তাৰ বাবে শিক্ষকে তেওঁলোকক সৃজনীমূলক কাম-কাজৰ প্ৰতি আগ্ৰহী কৰি তুলিবলৈ উৎসাহিত কৰিব লাগে।

(ঞ) স্থানীয় সম্পদসমূহৰ সদ্-ব্যৱহাৰ কৰিবলৈ শিক্ষকে শিশুসকলক উদ্‌গনি দিব লাগে। ইয়ে পাৰোক্ষভাৱে দেশৰ অৰ্থনৈতিক উন্নয়নত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে।

| বুদ্ধ্যাংক (IQ) | শ্ৰেণীবিভাগ (Clacsification) |
|---|---|
| ১৪০ ৰ উৰ্ধৰ | প্ৰতিভাশালী (Genous) |
| ১২০-১৪০ | অতি প্ৰখৰ বুদ্ধি সম্পন্ন (Very superior) |
| ১১০-১২০ | উচ্চ বুদ্ধি সম্পন্ন (Superior) |
| ৯০-১১০ | সাধাৰণ বুদ্ধিসম্পন্ন (Average or Normal) |
| ৮০-৯০ | ক্ষীণ বুদ্ধিসম্পন্ন (Dull) |
| ৭০-৮০ | বুদ্ধিহীনতাৰ ন্যূনতম সীমা বা দুৰ্বল মনৰ (Borderline deficiency) |
| ৫০-৭০ | অল্পধী বা মূঢ়ধী (Moron) |
| ২৫-৫০ | ক্ষীণধী (Imbecile) বা হীনধী |
| ২৫ ৰ তলত | জড়ধী (Idiot) |

(ঙ) ছাত্ৰ-ছাত্ৰী (Students) ঃ

ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয় প্ৰতিষ্ঠানৰ এক অতি গুৰুত্বপূৰ্ণ অংগ। আধুনিক শিক্ষাক শিশুকেন্দ্ৰিক শিক্ষা বুলি কোৱা হয়। সেয়েহে, ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজন আৰু সামৰ্থ্যৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগে আৰু শিক্ষকে তেওঁৰ ছাত্ৰ-ছাত্ৰীসকলক ভালদৰে বুজাটো প্ৰয়োজন। মনোবিদসকলে মন্তব্য দিছিল যে, "জন'ক লেটিন ভাষা শিকোৱাৰ আগতে শিক্ষকে জ'নক ভলদৰে জানিব লাগে।" অৰ্থাৎ, ছাত্ৰ-ছাত্ৰীক কোনো বিষয় শিকোৱাৰ আগতে তেওঁলোকৰ প্ৰয়োজন আৰু দক্ষতা সম্বন্ধে শিক্ষকে বুজিবলৈ চেষ্টা কৰা উচিত।

শাৰীৰিক আৰু মানসিক সামৰ্থৰ ওপৰত ভিত্তি কৰি ছাত্ৰ-ছাত্ৰীসকলৰ কেইবাটাও ভাগত ভগাব পাৰি।

মানসিক সামৰ্থ্যৰ ভিত্তিত শ্ৰেণীবিভাগ (Classification on the basis of mental Ability)ঃ বুদ্ধ্যাংক (IQ) ছাত্ৰ-ছাত্ৰীসকলক কেইবাটাও ভাগত ভগাইছে। সেই ভাগবোৰ তলত উল্লেখ কৰা হ'ল—

বেছিভাগ ল'ৰা-ছোৱালী সাধাৰণ বুদ্ধিসম্পন্ন সেয়ে স্কুলৰ পাঠ্যক্ৰমো এই শ্ৰেণীৰ ল'ৰা-ছোৱালীৰ যোগ্যতাৰ ভিত্তিত প্ৰস্তুত কৰা হয়। কিন্তু সাধাৰণ বুদ্ধিসম্পন্ন ল'ৰা-ছোৱালীতকৈ ওপৰৰ আৰু তলৰ বুদ্ধাংকৰ ছাত্ৰ-ছাত্ৰীৰ বাবেও পাঠ্যক্ৰমত বিশেষ সুবিধাৰ ব্যৱস্থা আছে। বুদ্ধ্যাংক ৫০ ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে কোনো ধৰণৰ শিক্ষাই উপযুক্ত নহয়।

শাৰীৰিক সামৰ্থৰ ভিত্তিত শ্ৰেণীবিভাগ (Classification on the Basis of physical Abilities)ঃ কিছুমান ল'ৰা-ছোৱালী আছে শাৰীৰিকভাৱে বাধাগ্ৰস্ত। তেওঁলোকক তলত দিয়া ধৰণে শ্ৰেণীবিভাগ কৰিব পাৰি-

ক) দৃষ্টি সম্বন্ধীয় বাধাগ্ৰস্ত ল'ৰা-ছোৱালী (Visually handicapped children)ঃ এই ধৰণৰ ল'ৰা-ছোৱালী সম্পূৰ্ণৰূপে অন্ধ হ'ব পাৰে বা দৃষ্টি শক্তি ক্ষীণ হ'ব পাৰে। অন্ধ

মনত ৰাখিবলগীয়া

শাৰীৰিক সামৰ্থভিত্তিক শ্ৰেণীবিভাজন

(ক) দৃষ্টি সম্বন্ধীয় বাধাগ্ৰস্ত ল'ৰা-ছোৱালী।
(খ) শ্ৰৱণ সম্বন্ধীয় বাধাগ্ৰস্ত ল'ৰা-ছোৱালী।
(গ) কথন বা বাক্ সম্বন্ধীয় বাধাগ্ৰস্ত ল'ৰা-ছোৱালী।
(ঘ) দৈহিক পংগুতা বা আনুসংগিক বাধা গ্ৰস্ত ল'ৰা-ছোৱালী।

DAILY ASSAM



ল'ৰা-ছোৱালীসকলৰ বাবে পৃথক স্কুল আছে আৰু তেওলোকক প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ দ্বাৰা শিক্ষা দিয়া হয়। কিন্তু যিসকলৰ দৃষ্টিশক্তি দুৰ্বল তেওঁলোকক সাধাৰণ ল'ৰা-ছোৱালীৰ লগত একেলগে শিক্ষা দিব পৰা যায় যদিও তেওঁলোকক সন্মুখৰ আসনত বহিবলৈ দিয়া উচিত।

খ) শ্ৰৱণ সম্বন্ধীয় বাধাগ্ৰস্ত ল'ৰা-ছোৱালী (Aurally handicapped children)ঃ এনেধৰণৰ ল'ৰা-ছোৱালী সম্পূৰ্ণৰূপে বা আংশিকভাৱে কলা হ'ব পাৰে। তেওঁলোকৰ প্ৰয়োজন আৰু সুবিধা সাপেক্ষে শিক্ষা প্ৰস্তুত কৰিব লাগে।

গ) কথন বা বাক্ সম্বন্ধীয় বাধাগ্ৰস্ত ল'ৰা-ছোৱালী (Speech handicapped children)ঃ এনে ধৰণৰ ল'ৰা-ছোৱালীৰ মাত-কথা খেলি-মেলি লগা বা খোকোজা লগা বা লেহেমীয়া গতিৰ হয়। তেনে ল'ৰা-ছোৱালীক স্পিটচ্ থেৰাপিষ্ট (Speech therapist)ৰ সহায়ত চিকিৎসা কৰাব পৰা যায়।

ঘ) দৈহিক পংগুতা বা আনুসংগিক বাধাগ্ৰস্ত ছাত্ৰ-ছাত্ৰীসকল (Orthopaedically handicapped children)ঃ এনে ধৰণৰ ল'ৰা-ছোৱালী খোৰা, বিকলাংগ হোৱা হেতুকে সাধাৰণ জীৱন নিৰ্বাহ কৰিবলৈ অক্ষম হয়। তেওঁলোকৰ কাৰণে বেলেগকৈ শৈক্ষিক পৰিবেশ নিৰ্মাণ কৰিব লাগে যাতে তেওঁলোকে শাৰীৰিক দোষ-ত্ৰুটিসমূহ নাইকিয়া কৰিব পাৰে।

**কৰ্মচাৰী (Employees)ঃ**

বিদ্যালয় এখন সুন্দৰভাৱে পৰিচালিত কৰিবলৈ প্ৰধান শিক্ষকৰ লগতে আন আন শিক্ষক-শিক্ষয়িত্ৰীৰ উপৰিও এচাম সুদক্ষ আৰু কৰ্মঠ কৰ্মীৰ আৱশ্যক। তেওঁলোক হ'ল—

ক) পুথিভড়ালী (Labrarian)

খ) চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী যেনে পিয়ন, চকিদাৰ, হৰিজন ইত্যাদি (Grade IV staff such as peon, chowkidar, sweepers etc.)

গ) কেন্টিনৰ কৰ্মচাৰীসকল (Canteen staff)

ঘ) হোষ্টেলৰ অভিকৰণসমূহ (Cooks for hostel)

**(চ) পাঠ্যক্ৰম (Curriculum)ঃ**

পাঠ্যক্ৰম হ'ল শিক্ষাৰ্থীৰ পঢ়িবলগীয়া বিষয় বা সুনিৰ্বাচিত বিষয়াৱলী অৰ্থাৎ কোন শ্ৰেণীত কি পঢ়োৱা হ'ব সেই কথা পাঠ্যক্ৰম বুলি কওঁ। প্ৰকৃতপক্ষে পাঠ্যক্ৰম অবিহনে বিদ্যালয়ৰ শিক্ষা প্ৰক্ৰিয়াটো স্থবিৰ হৈ পৰে। পাঠ্যক্ৰমে শিক্ষকক তেওঁৰ চিন্তাধাৰা ছাত্ৰ-ছাত্ৰীৰ আগত প্ৰকাশ

কৰাৰ পথ সুচল কৰে। পাঠ্যক্ৰমৰ ইংৰাজী প্ৰতিশব্দ "Curriculum" শব্দটো পুৰণি লেটিন ভাষাৰ "Currere"-ৰ পৰা উৎপত্তি হৈছে। ইয়াৰ ইংৰাজী অৰ্থ হৈছে 'race course' অৰ্থাৎ ঘোঁৰা দৌৰ দিয়া স্থান বা পৰিসীমা। ইয়াৰ দ্বাৰা পাঠ্যক্ৰম অৰ্থটোৱে এইয়ে বুজায় যে, কোনো নিৰ্দিষ্ট লক্ষ্যত উপনীত হ'বৰ বাবে দিয়া দৌৰ। অৰ্থাৎ শিক্ষাৰ্থীয়ে শিক্ষা গ্ৰহণৰ কালছোৱাত নিৰ্দিষ্ট সময় সীমাৰ ভিতৰত সম্পূৰ্ণ কৰি তুলিব লগীয়া কাৰ্যসূচীসমূহেই হৈছে পাঠ্যক্ৰম। কানিংহাম (Curringham)-ৰ ভাষাত, "পাঠ্যক্ৰম হ'ল শিল্পীৰ (শিক্ষক) হাতৰ মূল আহিলা যাৰ দ্বাৰা উৎপাদন (শিক্ষাৰ্থী) চিত্ৰবনৰ (বিদ্যালয়) আদৰ্শ অনুসৰি (লক্ষ্য আৰু উদ্দেশ্য) গঢ়ি তোলা হয়।" "Curriculum is a tool in the hands of the artist (teacher) to mould his material (pupils) according to his ideals (aims and objectives) in his studio (school)."।

পাঠ্যক্ৰমৰ এই অৰ্থটো আগৰ সমাজখনৰ কাৰণে উপযুক্ত আছিল। কিন্তু বৰ্তমান সময়ত পাঠ্যক্ৰম সম্বন্ধীয় ধাৰণা যথেষ্ঠ সলনি হৈছে। বৰ্তমান সময়ৰ জগতত শিক্ষাক এক গতিশীল প্ৰক্ৰিয়া (Dynamic process) বুলি ধৰা হয়। বৰ্তমান কোৱা হয় যে শ্ৰেণীৰ বাহিৰে-ভিতৰে ছাত্ৰক দিব পৰা স্কুলৰ সামগ্ৰিক অভিজ্ঞতাকেই পাঠ্যক্ৰম স্বৰূপে গণ্য কৰিব পাৰি। O.I. Fredrick ৰ মতে, "Modern curriculum covers all the wider areas of individual and group life. It enompasses all the meaningful and desirable activities outside the school, provided that these are planned, organised and used educationally."

**পাঠ্যক্ৰমৰ সংজ্ঞাসমূহ (Definition of Curriculum) ঃ**

ক) ফ্ৰবে'ল (Frobel)-ৰ মতে, "মানৱ জাতিৰ সমগ্ৰ জ্ঞান অভিজ্ঞতাৰ সাৰাংশ স্বৰূপ অৱস্থাকেই পাঠ্যক্ৰম স্বৰূপে বিবেচনা কৰিব পাৰি" (Curriculum should be conceived as an epitome of the rounded whole of the knowledge and experience of the human race)।

খ) ক্ৰো আৰু ক্ৰো (Crow and Crow)ৰ মতে, "পাঠ্যক্ৰমে স্কুলৰ বাহিৰে-ভিতৰে শিক্ষাৰ্থীৰ সেই সকলোবোৰ কাৰ্যসূচীকেই অন্তৰ্ভুক্ত কৰে যি সমূহ তেওঁৰ দৈহিক, মানসিক, আবেগিক, সামাজিক, আধ্যাত্মিক আৰু নৈতিক বিকাশৰ বাবে সহয়ক হ'ব পাৰে।" (The curriculum includes all the

DAILY ASSAM



learner's experience, in and outside school that are included in a programme which has been devised to help them develop mentally, emotionally, socially, spiritually and morally.)

গ) শিক্ষাবিদ পাৰ্চি নানে (Percy Nunn) পাঠ্যক্ৰমৰ সংজ্ঞা দি কয় যে, "মানৱীয় জীৱনীশক্তি আত্ম প্ৰকাশ কৰি উঠিব পৰা আৰু সমগ্ৰ পৃথিৱীৰ অধিক স্থায়িত্বশীলভাৱে তাৎপৰ্যপূৰ্ণ হৈ উঠা সকলোবিধ ক্ৰিয়া অভিজ্ঞতাৰ দৃষ্টিকোণৰ পৰাহে পাঠ্যক্ৰমক নিৰীক্ষণ কৰিব লাগে।" (The curriculum should be viewed as various forms of activities that are grand expression of human spirit and that are of the greatest and most permanent significance to the wide world)।

ঘ) ১৯৫৩-৫৮ চনৰ মাধ্যমিক শিক্ষাৰ আয়োগে পাঠ্যক্ৰম সম্বন্ধে এক বহল দৃষ্টিভংগী আগবঢ়ায়। আয়োগৰ মতে,"গতানুগতিকভাৱে শিকোৱা স্কুলৰ বিষয়বোৰকেই পাঠ্যক্ৰম বুলিব নোৱাৰি। স্কুল আৰু ইয়াৰ শ্ৰেণীকক্ষসমূহ, পুথিভঁড়াল, প্ৰয়োগশালা, কাৰখানা, খেলপথাৰ আৰু অন্যান্য বিবিধ ক্ষেত্ৰত ছাত্ৰ-শিক্ষকৰ সংস্পৰ্শত ছাত্ৰই লাভ কৰা বহুমুখী ক্ৰিয়াৰ সামুহিক অভিজ্ঞতাকেই ইয়াৰ অন্তৰ্ভুক্ত কৰা হয়।" (Curriculum does not mean only the academic subject traditionally taught in the school, but it includes the totality to experiences that pupil receives through the manifold activities that go in the school, in the classroom, library, laboratory, workshop, play grounds and in the

মনত ৰাখিবলগীয়া

ক) পৰম্পৰাগত পাঠ্যক্ৰম বা বিষয়কেন্দ্ৰিক পাঠ্যক্ৰম
খ) ক্ৰিয়াভিত্তিক পাঠ্যক্ৰম
গ) অপৃথকীকৰণ পাঠ্যক্ৰম
ঘ) বুনিয়াদী শিক্ষাৰ পাঠ্যক্ৰম
ঙ) ভাৰসাম্য পাঠ্যক্ৰম আৰু জীৱনকেন্দ্ৰিক পাঠ্যক্ৰম
চ) অভিজ্ঞতাভিত্তিক পাঠ্যক্ৰম

numerous informal contacts between teachers and pupils. In this sense, the whole life of the school becomes the curriculum which can touch the life of the student at all points and help in the evaluaton of a balanced personality.)

**পাঠ্যক্ৰমৰ প্ৰকাৰ (Types of Curriculum)ঃ** পাঠ্যক্ৰম প্ৰধানকৈ ছয় প্ৰকাৰৰ। সেইবোৰ তলত আলোচনা কৰা হ'ল—

ক) **পৰম্পৰাগত পাঠ্যক্ৰম বা বিষয়কেন্দ্ৰিক পাঠ্যক্ৰম (The traditional or subject centred curriculm)ঃ** পৰম্পৰাগত পাঠ্যক্ৰমৰ অৰ্থ হ'ল বিষয়কেন্দ্ৰিক পাঠ্যক্ৰম। ইয়াত ছাত্ৰতকৈ বিষয়ৰ ওপৰত বেছি গুৰুত্ব দিয়া হয়। ই কেৱল ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক দিশৰ বিকাশতহে অধিক গুৰুত্ব দিয়ে আৰু সামাজিক আৰু ব্যক্তিগত দিশৰ বিকাশক সম্পূৰ্ণৰূপে অৱজ্ঞা কৰে।

খ) **ক্ৰিয়াভিত্তিক পাঠ্যক্ৰম (Activity central curriculum) ঃ** যি পাঠ্যক্ৰমে শিক্ষাত কৰ্ম বা ক্ৰিয়াৰ নীতিসমূহ অনুসৰণ কৰে তাকে ক্ৰিয়াভিত্তিক পাঠ্যক্ৰম বোলে। এই পাঠ্যক্ৰমত কৰ্মৰ



মাজেৰে বিষয়বস্তুৰ জ্ঞান দিয়া হয়। ক'মেনিয়াছ (comenius) পৰামৰ্শ দিছিল যে যেতিয়াই কোনো বিষয় শিকোৱা হয়, তাক কৰ্মৰ মাজেৰে শিকাব লাগে (Whatever has to be learnt, must be learnt by doing)। এইধৰণৰ পাঠ্যক্ৰমে ল'ৰা-ছোৱালীক গঠনমূলক আৰু সৃজনীমূলক গুণৰ বিকাশ ঘটোৱাত সহায় কৰে আৰু তেওঁলোকৰ ব্যক্তিত্বৰ সামগ্ৰিক বিকাশ ঘটায়। ই আকৌ ল'ৰা ছোৱালীৰ সামাজিক গুণৰ বিকাশতো সহায় কৰে। তেওঁলোকে প্ৰতিটো সমস্যা সমাধানৰ কাৰণে শিক্ষকৰ ওপৰত নিৰ্ভৰ নকৰে আৰু পাৰস্পৰিক সহায়-সহযোগিতাৰে সমস্যাসমূহৰ সমাধান কৰিবলৈ চেষ্টা কৰে।

গ) **অপৃথকীকৰণ পাঠ্যক্ৰম (The Undifferentited Curriculum)ঃ** অপৃথকীকৰণ পাঠ্যক্ৰম হ'ল এনে এক পাঠ্যক্ৰম যিয়ে বিভিন্ন বিষয়ৰ ওপৰত বিশেষভাৱে অধ্যয়ন কৰাত গুৰুত্ব নিদিয়ে। শিশুৰ পূৰ্ণ ব্যক্তিত্বৰ বিকাশ সামগ্ৰিকভাৱে লাভ কৰা অভিজ্ঞতাৰ যোগেহে সম্ভৱ। বিষয়ৰ একত্ৰিকৰণ আৰু কৰ্মৰ যেগেদিহে এই সংহতি আনিব পৰা যাব।

DAILY ASSAM



ঘ) **বুনিয়াদী শিক্ষাৰ পাঠ্যক্ৰম (Basic Education Curriculum)ঃ** বুনিয়াদী শিক্ষাৰ পাঠ্যক্ৰম মহাত্মা গান্ধীৰ শিক্ষা সম্বন্ধীয় ধাৰণাৰ ওপৰত নিৰ্ভৰশীল যিয়ে শিশুৰ লগতে প্ৰতিজন ব্যক্তিৰ দেহ-মন আৰু আত্মাৰ পূৰ্ণ বিকাশত গুৰুত্ব দিয়ে। সহ-সম্বন্ধৰ নীতি এই পাঠ্যক্ৰমৰ মূল কথা। এই পাঠ্যক্ৰমৰ স্ৰষ্টাসকলে বিশ্বাস কৰিছিল যে কিছুমান উদ্দেশ্যধৰ্মী ক্ৰিয়াকলাপৰ দ্বাৰা জ্ঞানৰ যোগান ধৰিব লাগে। কাৰণ বাস্তৱ অভিজ্ঞতা আৰু ব্যক্তিগত নিৰীক্ষণেই হ'ল প্ৰকৃত জ্ঞান। এইদৰে বুনিয়াদী শিক্ষাৰ পাঠ্যক্ৰমে শিক্ষাৰ বাস্তৱিক দিশত বেছি গুৰুত্ব দিয়ে। ছাত্ৰ-ছাত্ৰীৰ অন্তৰত দেশপ্ৰেম অনুভূতি বিকাশ কৰাটোও এই পাঠ্যক্ৰমৰ লক্ষ্য।

ঙ) **ভাৰসাম্য পাঠ্যক্ৰম আৰু জীৱনকেন্দ্ৰিক পাঠ্যক্ৰম (Balanced curriculum or Life centred curriculum)ঃ** এই বিধ পাঠ্যক্ৰমত, পাঠ্যক্ৰম প্ৰস্তুতকৰণৰ আটাইবোৰ গুৰুত্বপূৰ্ণ নীতিকে সামৰি ল'বলৈ চেষ্টা কৰা হয় আৰু তাৰ পাছত, বিভিন্ন পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীৰ কাৰণে ক্ৰিয়া-কলাপ আৰু বিষয়সমূহ নিৰ্বাচন কৰা হয়। এইবিধ পাঠ্যক্ৰম মানৱ জীৱনৰ প্ৰতিটো ক্ৰিয়া-কলাপৰ দিশকেই সামৰি লয় আৰু এইদৰে জীৱনভিত্তিক পাঠ্যক্ৰমে ব্যক্তি আৰু সমাজৰ প্ৰয়োজন পূৰ কৰে। ই সাংস্কৃতিক সম্পদসমূহ এটা পুৰুষৰ পৰা আনটো পুৰুষলৈ হস্তান্তৰ কৰে, বৰ্তমানক ব্যাখ্যা কৰে আৰু ভৱিষ্যতৰ বিষয়ে পৰিকল্পনা কৰে। এইদৰে, এইবিধ পাঠ্যক্ৰমে শিশুসকলক বৰ্তমান সময়ৰ পৰিৱৰ্তনশীল আৰু জটিল সমাজখনত সমাযোজন কৰাত সক্ষম কৰি তোলে।

চ) **অভিজ্ঞতাভিত্তিক পাঠ্যক্ৰম (The Experience Curriculum)ঃ** এই বিধ পাঠ্যক্ৰমে উন্নত মানৱ আৰু বিভিন্ন ধৰণৰ জ্ঞান, কৌশল, মনোভাৱ আদিৰ অভিজ্ঞতাৰ যোগান ধৰে। এনে পাঠ্যক্ৰমৰ পৰা শিক্ষাৰ্থীয়ে জ্ঞান আৰু বাস্তৱ জীৱনৰ মাজত থকা গভীৰ সম্পৰ্কৰ বিষয়ে উপলব্ধি কৰিবলৈ সক্ষম হয়। শিক্ষাবিদ জন ডিউইয়ে শিশুৰ অভিজ্ঞতাকেই শিক্ষাৰ একমাত্ৰ মৌলিক আৰু ফলপ্ৰসু উপাদান বুলি উল্লেখ কৰিছে।

বৰ্তমান সময়ৰ পাঠ্যক্ৰমৰ আসোঁৱাহসমূহ

ক) সংকীৰ্ণ ধাৰণা

খ) ক্ৰিয়া-কলাপৰ কোনো স্থান নাই

গ) পাঠ্য বিষয়ৰ মাত্ৰাধিক্য
ঘ) ল'ৰা-ছোৱালীৰ প্ৰয়োজন পূৰাবলৈ অনুপযোগী
ঙ) কাৰিকৰী আৰু বৃত্তীয় শিক্ষাৰ অভাৱ
চ) পৰীক্ষাৰ দ্বাৰা প্ৰভাৱিত
ছ) জীৱনৰ লগত সম্পৰ্ক নথকা
জ) অনমনীয়

**বৰ্তমান সময়ৰ পাঠ্যক্ৰমৰ আসোঁৱাহসমূহ (Defects of Present Curriculum) ঃ**

বৰ্তমানৰ পাঠ্যক্ৰম অথবা পৰম্পৰাগত পাঠ্যক্ৰমক বিভিন্ন দিশৰ পৰা সমালোচনা কৰা হৈছে। ইয়াৰ প্ৰধান আসোঁৱাহসমূহ হ'ল -

ক) **সংকীৰ্ণ ধাৰণা (Narrowly conceived) ঃ** বৰ্তমানৰ পাঠ্যক্ৰমৰ পৰিসৰ যথেষ্ঠ কম। শিক্ষানুষ্ঠানত নামভৰ্তি কৰি পৰীক্ষাত উত্তীৰ্ণ হ'বৰ বাবে যুগুত কৰা সীমিত পাঠ্যসূচীকেই মাথোন ইয়াৰ দ্বাৰা বুজোৱা হয়।

খ) **ক্ৰিয়া-কলাপৰ কোনো স্থান নাই (No place for Activity) ঃ** বৰ্তমানৰ পাঠ্যক্ৰমত কৰ্মৰ কোনো স্থান নাই। ইয়াত কেৱল পাঠ্যপুথি লিখা আৰু পঢ়া কাৰ্য্যতহে অধিক গুৰুত্ব দিয়া হয়। ইয়াত 'হাতে কামে শিক্ষা' নীতিত গুৰুত্ব দিয়া নহয়।

গ) **পাঠ্য বিষয়ৰ মাত্ৰাধিক্য (Overcrowded) ঃ** বৰ্তমানৰ পাঠ্যক্ৰমত বহুতো বিষয়ৰ অন্তৰ্ভুক্ত কৰা হৈছে। ফলত ছাত্ৰ-শিক্ষক উভয়ে এই বিষয়সমূহ নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত সমাপ্ত কৰিবলৈ যথেষ্ঠ অসুবিধা পাইছে।

ঘ) **ল'ৰা-ছোৱালীৰ প্ৰয়োজন পূৰাবলৈ অনুপযোগী (Unsuitable to children needs)ঃ** ই ল'ৰা-ছোৱালীৰ বিভিন্ন প্ৰয়োজন পূৰ কৰিবলৈ সক্ষম নহয়।

ঙ) **কাৰিকৰী আৰু বিত্তীয় শিক্ষাৰ অভাৱ (Lack of provision for technical and vocational studies):** স্কুলীয়া পাঠ্যক্ৰমত কাৰিকৰী আৰু বৃত্তীয় শিক্ষাৰ অভাৱ দেখা যায়। বৰ্তমানৰ পাঠ্যক্ৰমে কাৰিকৰী আৰু বৃত্তীয় বিষয়ক সামৰি লোৱা নাই যিটো ছাত্ৰ-ছাত্ৰীৰ দেশৰ অৰ্থনৈতিক আৰু উদ্যোগিক বিকাশৰ বিষয়ে প্ৰশিক্ষণ দিয়াৰ ক্ষেত্ৰত অতি আৱশ্যকীয়।

চ) **পৰীক্ষাৰ দ্বাৰা প্ৰভাৱিত (Dominated by Examination)ঃ** প্ৰচলিত পাঠ্যক্ৰম কেৱল পৰীক্ষাৰ উপযোগী কৰিহে প্ৰস্তুত কৰি তোলা হয়। ছাত্ৰ-ছাত্ৰীক দেশৰ অৰ্থনৈতিক আৰু উদ্যোগিক বিকাশৰ বিষয়ে প্ৰশিক্ষণ দিয়াৰ ক্ষেত্ৰত অতি আৱশ্যকীয়।

DAILY ASSAM



ছ) **জীৱনৰ লগত সম্পৰ্ক নথকা (Not related to life) ঃ** জীৱনৰ লগত প্ৰচলিত পাঠ্যক্ৰমৰ সম্পৰ্ক নিচেই কম। স্কুলত ছাত্ৰ-ছাত্ৰীক যিবোৰ বিষয়ৰ ওপৰত শিক্ষা দিয়া হয় সেইবোৰৰ বাস্তৱ জীৱনত কোনো গুৰুত্ব নাই।

জ) **অনমনীয় (Rigid)ঃ** বৰ্তমানৰ প্ৰচলিত পাঠ্যক্ৰম অনমনীয়। পৰিৱৰ্তনশীল পৃথিৱীৰ লগত ই সদায়ে সলনি হৈ নাথাকে।

**পাঠ্যক্ৰম ৰচনাৰ নীতি (Principles of curriculum construction) ঃ**

পাঠ্যক্ৰম প্ৰস্তুত কৰা সময়ত তলত উল্লেখ কৰা নীতি সমূহ মানি চলিব লাগে।

ক) **শিশুকেন্দ্ৰিকতাৰ নীতি (The principle of child-centredness):** আধুনিক শিক্ষাক শিশুকেন্দ্ৰিক শিক্ষা বুলি কোৱা হয়। সেয়েহে পাঠ্যক্ৰম প্ৰস্তুত কৰা সময়ত বৰ্তমান ল'ৰা-ছোৱালীৰ প্ৰয়োজনসমূহ আৰু পৰিঘটনাসমূহৰ প্ৰতি লক্ষ্য ৰাখিব লগে। শিশুক বিভিন্ন বিষয়ৰ পৰামৰ্শ দিয়াতকৈ অৰ্থপূৰ্ণ অভিজ্ঞতাৰ যোগান ধৰা উচিত।

খ) **সহ-সম্বন্ধৰ নীতি (Principle of co-relation) ঃ** স্কুলৰ বিভিন্ন বিষয়সমূহ সম্পূৰ্ণ পৃথক পৃথকভাৱে শিকোৱা উচিত নহয়। পাঠ্যক্ৰম কাৰ্যসূচীৰ মাজত সমন্বয় আৰু সংহতি স্থাপন কৰি ছাত্ৰ-ছাত্ৰীক সম্পূৰ্ণ বাস্তৱিক অভিজ্ঞতাৰ যোগান ধৰা উচিত।

গ) **সমাজকেন্দ্ৰিক নীতি (Principle of community centredness):** বৰ্তমান এটা শিশু ভৱিষ্যৎ সমাজৰ এজন দায়িত্বশীল নাগৰিক। সেইকাৰণে, শিক্ষাই শিশুক সমাজৰ, সফল হিচাপে সাজু কৰি তুলিব লাগে।

ঘ) **নমনীয়তাৰ নীতি (Principle of Flexibility):** পাঠ্যক্ৰম নমনীয় আৰু

মনত ৰাখিবলগীয়া

পাঠ্যক্ৰমৰ ৰচনাৰ নীতি

| | |
|---|---|
| (ক) শিশুকেন্দ্ৰিকতাৰ নীতি | (খ) সহ-সম্বন্ধৰ নীতি |
| (গ) সমাজকেন্দ্ৰিক নীতি | (ঘ) নমনীয়তাৰ নীতি |
| (ঙ) উপযোগিতাৰ নীতি | (চ) অৱসৰৰ নীতি |
| (ছ) বিষয়ৰ অন্তৰ্ভুক্তি বিস্তৃত কৰাৰ নীতি | (জ) সৃজনীমূলক নীতি |

গতিশীল হ'ব লাগে। সময় পৰিবৰ্তনৰ লগে লগে পাঠ্যক্ৰমো পৰিৱৰ্তন হোৱা উচিত।

ঙ) **উপযোগিতা নীতি (Principle of utility)ঃ** পাঠ্যক্ৰমক বাস্তৱ আৰু উপযোগী কৰি তুলিবলৈ কৰ্ম অভিজ্ঞতা, কাৰিকৰী আৰু বৃত্তীয় বিষয়সমূহক ইয়াৰ অন্তৰ্ভুক্ত কৰিব লাগে।

চ) **অৱসৰৰ কাৰণে প্ৰস্তুতিৰ নীতি (Principle of training for leisure)ঃ** পাঠ্যক্ৰম এনেদৰে প্ৰস্তুত কৰিব লাগে যাতে ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ অৱসৰৰ সময়খিনি সৎভাৱে ব্যৱহাৰ কৰিব পাৰে। সেয়েহে, পাঠ্যক্ৰমত সহ-পাঠ্যক্ৰম কাৰ্যসূচীৰ ব্যৱস্থা থাকিব লাগে।

ছ) **বিষয়ৰ অন্তৰ্ভুক্তি বিস্তৃত কৰাৰ নীতি (Principle of Comprehensiveness)ঃ** পাঠ্যক্ৰমত বিভিন্ন ধৰণৰ বহুতো বিষয় অন্তৰ্ভুক্ত কৰা হ'ব যাতে ই ব্যক্তিৰ লগতে সমাজৰো বিভিন্ন প্ৰয়োজন পূৰ কৰিব পাৰে আৰু অভিৰুচি অনুসৰি বিষয় নিৰ্বাচন কৰিব পাৰে।

ঝ) **সৃজনীমূলক নীতি (Creative Principle) ঃ** যিবোৰ বিষয়ে ছাত্ৰ-ছাত্ৰীৰ সৃজনীমূলক প্ৰতিভাসমূহৰ যথাযথভাৱে বিকাশ কৰিব পাৰে সেইসমূহ বিষয় পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰিব লাগে। এই প্ৰতিভাৰ বিকাশ শিশুক সময়ৰ প্ৰয়োজন সাপেক্ষে নিজৰ পৰিবেশ সংশোধন কৰিবলৈ উপযুক্ত কৰি তুলিব।

**সহপাঠ্যক্ৰম কাৰ্যসূচী (Co-curricular Activities) ঃ**

বহল অৰ্থত পাঠ্যক্ৰম হ'ল শ্ৰেণীৰ বাহিৰে ভিতৰে ছাত্ৰক দিব পৰা বিদ্যালয়ৰ সামগ্ৰিক অভিজ্ঞতাৰ সমষ্টি। সহ-পাঠ্যক্ৰম কাৰ্যসূচী শ্ৰেণীকোঠাৰ বাহিৰত সংঘটিত হয় আৰু ই ছাত্ৰ-ছাত্ৰীৰ সন্তোষজনক ব্যক্তিত্ব বিকাশত সহায় কৰে।

শিশুৰ অন্তৰ্নিহিত গুণৰাজিৰ বিকাশ সাধন কৰাই হ'ল শিক্ষাৰ লক্ষ্য। শিক্ষাই ল'ৰা-ছোৱালীৰ ব্যক্তিগত আৰু সামাজিক গুণাৱলীৰ বিকাশ সাধন কৰা উচিত। এয়া সম্ভৱ হ'ব যদিহে তেওঁলোকক এক আদৰ্শ পৰিবেশৰ মাজত ৰখা হয়। সহ-পাঠ্যক্ৰম কাৰ্যাৱলীয়ে ছাত্ৰ-ছাত্ৰীক আত্মপ্ৰকাশৰো সুবিধা দিয়ে। ই আকৌ তেওঁলোকৰ শাৰীৰিক, মানসিক, আধ্যাত্মিক, সামাজিক আৰু বৃত্তীয় গুণৰাজিৰ বিকাশ সাধন কৰাৰ ক্ষেত্ৰতো সহায় কৰে।

আগতে, এবিধ কাৰ্যসূচীক **'শ্ৰেণী-বৰ্হিভূত কাৰ্যাৱলী'** (Extra curricular) বুলি জনা গৈছিল। কিন্তু এতিয়া পৰিসৰ আৰু গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখি ইয়াক **'সহ-পাঠ্যক্ৰম কাৰ্যসূচী'** (Co-curricular activities) স্বৰূপে নামকৰণ কৰা হৈছে।

DAILY ASSAM



**সহপাঠ্যক্ৰম কাৰ্যসূচীৰ বিভিন্ন প্ৰকাৰসমূহ (Types of Co-curricular Activities)ঃ** বহুল ভিত্তিক সহ-পাঠ্যক্ৰম কাৰ্যসূচীক তলত উল্লেখ কৰা বিভাগসমূহত বিভক্ত কৰিব পাৰি-

ক) **শাৰীৰিক কাৰ্যাৱলী (Physical activities)** ঃ এই ধৰণৰ কাৰ্যই ছাত্ৰ-ছাত্ৰীক শাৰীৰিক স্বাস্থ্য-সুন্দৰভাৱে বজাই ৰখাত সহায় কৰে আৰু শ্ৰেণীকোঠাৰ ভিতৰত বা বাহিৰত হোৱা খেল-ধেমালিসমূহৰ সহায়ত তেওঁলোকৰ চালিকা শক্তি যথেষ্ট বৃদ্ধি পায়।

খ) **শৈক্ষিক কাৰ্যাৱলী (Academic activities)ঃ** এনেধৰণৰ কাৰ্যাৱলীয়ে ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক সক্ষমতা যেনে- চিন্তা, যুক্তি আৰু সমস্যা সমাধান কৰিব পৰা গুণৰাজিৰ উত্তৰণ ঘটায়। আবৃত্তি, ৰচনা লিখা, তৰ্ক, আকস্মিক বক্তৃতা আদি এইবিধ কাৰ্যাৱলীৰ লগত জড়িত।

গ) **সামাজিক কাৰ্য্যৱলী (Social activities)ঃ** সামাজিক কাম-কাজসমূহে ছাত্ৰ-ছাত্ৰীক সামাজিকভাৱে পৈণত কৰি তোলে। ই ছাত্ৰ-ছাত্ৰীৰ কিছুমান সামাজিক গুণ যেনে- সহযোগিতা, নেতৃত্বদানৰ ক্ষমতা, গণতান্ত্ৰিক মূল্যবোধ আদিৰ বিকাশ ঘটায়। এন চি চি (N.C.C.), ৰেড্ ক্ৰছ (Red Cross), স্কুলৰ চাফাই কাম আদি সামাজিক কাৰ্যাৱলীৰ ভিতৰুৱা।

ঘ) **আবেগিক কাৰ্যাৱলী (Emotional Activities)ঃ** এইবিধ ক্ৰিয়াই ছাত্ৰ-ছাত্ৰীক আবেগিকভাৱে পৈনত কৰে যিয়ে তেওলোকৰ সুস্থ ব্যক্তিত্ব গঢ়ি তোলাত সহায় কৰে। গান গোৱা, নৃত্য কৰা, বাদ্য যন্ত্ৰ বজোৱা, নাটক কৰা, ছবি অঁকা, হাতেৰে বিভিন্ন বস্তু তৈয়াৰ কৰা আদি আবেগিক কাৰ্যাৱলীৰ অন্তৰ্গত। ইয়াক কলাসুলভ ক্ৰিয়া-কলাপ বুলিও জনা যায়।

**সহ-পাঠ্যক্ৰম কাৰ্যসূচীৰ উদ্দেশ্যসমূহ (Objectives of Co-curricular Activities)ঃ** স্কুলীয়া পাঠ্যক্ৰমত সহ-পাঠ্যক্ৰম কাৰ্যসূচী অন্তৰ্ভুক্ত কৰাৰ প্ৰধান উদ্দেশ্যসমূহ হ'ল—

ক) ছাত্ৰ-ছাত্ৰীৰ আজৰি সময়খিনি সৎব্যৱহাৰ কৰা।

খ) সৰু সৰু ল'ৰা-ছোৱালীসকলক নাগৰিকত্বৰ শিক্ষা দিয়া।

> **মনত ৰাখিবলগীয়া**
> (ক) শাৰিৰীক কাৰ্যাৱলী (খ) শৈক্ষিক কাৰ্যাৱলী (গ) সামাজিক কাৰ্যাৱলী
> (ঘ) আবেগিক কাৰ্যাৱলী

গ) ছাত্ৰ-ছাত্ৰীক দায়িত্ববোধ সম্বন্ধে জ্ঞান দিয়া।

ঘ) স্কুলীয়া জীৱনৰ প্ৰতি ছাত্ৰ-ছাত্ৰীক আগ্ৰহী কৰি তোলা।

ঙ) ছাত্ৰ-ছাত্ৰীৰ মনত গণতান্ত্ৰিক মূল্যবোধৰ বীজ ৰোপন কৰা।

ঘ) ছাত্ৰ-ছাত্ৰীৰ অন্তৰত সুপ্ত হৈ থকা অভিক্ষমতা (aptitude)-সমূহ চিনাক্ত কৰি সেইবোৰক উপযুক্ত প্ৰশিক্ষণ দিয়া।

ঙ) ছাত্ৰ-ছাত্ৰীক সামাজিক জীৱনৰ প্ৰতি প্ৰস্তুত কৰি তোলা।

চ) ছাত্ৰ-ছাত্ৰীক আত্মবিশ্বাসী, আত্ম-অনুশাসিত, সহনশীল আৰু আনৰ প্ৰতি সহানুভূতিশীল কৰি তোলা।

### সহ-পাঠ্যক্ৰম কাৰ্যসূচীৰ সুবিধাসমূহ (Advantages or values of Co-curricular Activities) ঃ

শিশুৰ সৰ্বাত্মক বিকাশৰ কাৰণে সহপাঠ্যক্ৰম কাৰ্যসূচী অতি আৱশ্যকীয়। ইয়াৰ গুৰুত্বলৈ লক্ষ্য ৰাখি জে.আৰ.ছেননে (J.R.Shannon) কৈছে, "সহ-পাঠ্যক্ৰম কাৰ্যসূচীত অংশগ্ৰহণে দৈনন্দিন শ্ৰেণী কাৰ্যতকৈ অধিক সুস্থ আৰু আকৰ্ষণীয় ব্যক্তিত্ব গঢ়ি তোলে।" (The participation in co-curricular activities are more likely to produce wholesome and attractive personalities than routine class work)। তলত সহ-পাঠ্যক্ৰম কাৰ্যসূচীৰ মূল্য বা সুবিধা সম্বন্ধে আলোচনা কৰা হ'ল—

ক) এইসমূহ ক্ৰিয়া-কলাপে ল'ৰা-ছোৱালীৰ দেহ-মানসিক স্বাস্থ্য উন্নত কৰাত সহায় কৰে আৰু তেওঁলোকৰ চালিকাশক্তিৰ বিকাশ ঘটায়।

খ) ই ছাত্ৰ-ছাত্ৰীৰ জন্মগত প্ৰতিভাসমূহ চিনাক্ত কৰাত আৰু ইয়াৰ যথোপযুক্ত বিকাশ সাধন কৰাত সহায় কৰে।

গ) ইয়াৰ সহায়ত এটা শিশুৱে তাৰ আবেগৰ ওপৰত নিয়ন্ত্ৰণ ৰাখিব পৰা হয় আৰু আবেগিক পৈণতা লাভ কৰে।

ঘ) ই ছাত্ৰ-ছাত্ৰীৰ মানসিক সজাগতা, বৌদ্ধিক তীক্ষ্ণতা আৰু সমস্যা সমাধান কৰিব পৰা ক্ষমতাৰ বিকাশ সাধনত সহায় কৰে।

ঙ) সহ-পাঠ্যক্ৰম কাৰ্যসূচীয়ে পৰম্পৰাগত পাঠ্যক্ৰমে সৃষ্টি কৰা আমনিদায়ক পৰিৱেশ আঁতৰাই ছাত্ৰ-ছাত্ৰীসকলক নতুন উদ্যমেৰে অধ্যয়ন কৰিবলৈ প্ৰেৰণা দিয়ে।

চ) ই ছাত্ৰ-ছাত্ৰীক স্বাধীন আৰু স্বতঃস্ফুৰ্ত-ভাৱে আত্ম-প্ৰকাশ কৰিবলৈ আৰু আত্ম-উপলব্ধি কৰিবলৈ সুবিধা দিয়ে। যিটো ভাল শিক্ষাৰ কাৰণে অতীৱ প্ৰয়োজনীয়।

DAILY ASSAM



ছ) এইবিধ কাৰ্যসূচীয়ে ছাত্ৰ-ছাত্ৰীৰ নৈতিক গুণাৱলীৰ যেনে-সহনশীলতা, শ্ৰদ্ধা, ইচ্ছা-শক্তি আদিৰ বিকাশ সাধনত সহায় কৰে।

জ) গণতান্ত্ৰিক মূল্যবোধ যেনে-বন্ধুত্ব, নেতৃত্বদানৰ ক্ষমতা, সহযোগিতা আদি গুণৰ বিকাশ সাধনত সহ-পাঠ্যক্ৰম কাৰ্যসূচীয়ে সহায় কৰে।

**(ছ) পৰামৰ্শদায়ী অভিকৰণসমূহ (Guiding Agencies) ঃ**

শিক্ষা জগতত কিছুমান অভিকৰণ আছে, যিবিলাকে শিক্ষা ব্যৱস্থা সম্পৰ্কে বিভিন্ন পৰামৰ্শ আগবঢ়ায়। এনে অভিকৰণসমূহৰ কিছুমান হ'ল বিশ্ববিদ্যালয় অনুদান আয়োগ (UGC), ৰাষ্ট্ৰীয় শৈক্ষিকগৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ (NCERT), শিক্ষক শিক্ষাৰ ৰাষ্ট্ৰীয় পৰিষদ (NCTE), ৰাজ্যিক শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ (SCERT) আৰু জিলা শৈক্ষিক প্ৰশিক্ষণ প্ৰতিষ্ঠান (DIET)। তলত এইসমূহ অভিকৰণৰ বিষয়ে বহলভাৱে আলোচনা কৰা হ'ল।

**বিশ্ববিদ্যালয় অনুদান আয়োগ (University Grants Commission)ঃ**

ৰাধাকৃষ্ণণ আয়োগে বিশ্ববিদ্যালয় অনুদান আয়োগ গঠন কৰিবলৈ দিয়া পৰামৰ্শ অনুসৰি ১৯৫৩ চনত নৱেম্বৰ মাহত শিক্ষা মন্ত্ৰালয়ে বিশ্ববিদ্যালয় অনুদান আয়োগ গঠন কৰে।

**ইয়াৰ মুখ্য উদ্দেশ্যসমূহ হ'ল-**

ক) বিশ্ববিদ্যালয় সমূহলৈ অনুদান কিমানকৈ আগবঢ়াব আৰু ব্যয় কিমান কৰিব তাক নিৰ্ধাৰণ কৰা।

খ) বিশ্ববিদ্যালয়ৰ কাম-কাজত সমন্বয় ৰক্ষা কৰি উপযুক্ত মান বজাই ৰখা।

১৯৫৬ চনৰ নৱেম্বৰ মাহৰ ৫ তাৰিখৰ পৰা এই আয়োগক, ১৯৫৬ চনৰ বিশ্ববিদ্যালয় অনুদান আয়োগ (UGC Act)-ৰ পৰামৰ্শ মতে স্ব-শাসনৰ অধিকাৰ প্ৰদান কৰা হয়। এগৰাকী সভাপতি আৰু ৮ গৰাকী সদস্যই বিশ্ববিদ্যালয় অনুদান আয়োগ পৰিচালনা কৰে।

মনত ৰাখিবলগীয়া

শিক্ষাক্ষেত্ৰত লেখত ল'বলগীয়া পৰামৰ্শদায়ী অভিকৰণ **(Guide of Agencies) ঃ**

(ক) বিশ্ববিদ্যালয় অনুদান আয়োগ (UGC)।

(খ) ৰাষ্ট্ৰীয় শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ (NCERT)।

(গ) শিক্ষক শিক্ষাৰ ৰাষ্ট্ৰীয় পৰিষদ (NCTE)।

(ঘ) ৰাজ্যিক শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ (SCERT)।

(ঙ) জিলা শৈক্ষিক আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান (DIET)।

বিশ্ববিদ্যালয় অনুদান আয়োগৰ ক্ষমতা আৰু কাৰ্য্যসমূহ (The powers and functions of the commission are as follows) তলত উল্লেখ কৰা হ'ল—

"It shall be the general duty of the commission to take, in consultation with the universities or other bodies concerned, all such steps as it may think fit for the promotion and co-ordination of university education and for the determination and maintenance of standars of teaching, examination and research in universities."

ক) বিশ্ববিদ্যালয়ৰ আৰ্থিক দিশটো অনুসন্ধান কৰি প্ৰয়োজনীয় অনুদান দিয়া।

খ) ভাৰতীয় বিশ্ববিদ্যালয় আৰু কেন্দ্ৰীয় আয়োগৰ দ্বাৰা পৰিচালিত সমপৰ্যায়ৰ অনুষ্ঠানসমূহলৈ উন্নয়ন আৰু পৰিচালনাৰ বাবে অনুদান ধাৰ্য কৰা।

গ) বিশ্ববিদ্যালয়ৰ শিক্ষা উন্নত কৰিবলৈ আৱশ্যকীয় ব্যৱস্থা গ্ৰহণ কৰিবৰ বাবে পৰামৰ্শ দান আৰু পৰামৰ্শসমূহৰ কাৰ্য্যকৰণত সহায় কৰা।

ঘ) বিশ্ববিদ্যালয়সমূহক যিকোনো অনুদান আগবঢ়াবলৈ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰক এই আয়োগে পৰামৰ্শ দিয়ে।

ঙ) নতুন বিশ্ববিদ্যালয় স্থাপনৰ বাবে পৰামৰ্শ দিয়া আৰু কোনো বিশ্ববিদ্যালয়ৰ কাৰ্যাৱলী সম্প্ৰসাৰণৰ লগত জড়িত বিষয়ত পৰামৰ্শ আগবঢ়োৱা।

চ) গোটেই বছৰটোৰ বাবে বাজেট তৈয়াৰ কৰা।

ছ) ভাৰতৰ আৰু ভাৰতৰ বাহিৰৰ অন্যান্য, দেশৰ বিশ্ববিদ্যালয় শিক্ষা সম্পৰ্কে তথ্য সংগ্ৰহ কৰি সেই তথ্য বিশ্ববিদ্যালয়-সমূহৰ মাজত বিতৰণ কৰা।

জ) উচ্চ শিক্ষা, বিশ্ববিদ্যালয়ৰ শৈক্ষিক মান উন্নীত কৰিবলৈ সকলো প্ৰকাৰৰ বাস্তৱানুগতা পৰামৰ্শ আগবঢ়োৱা ।

ঝ) উচ্চ, বিজ্ঞান সন্মত শিক্ষা, গৱেষণা আৰু প্ৰযুক্তি যথাযথ বিকাশৰ কাৰণে এই আয়োগে টকা-পইচাৰ যোগান ধৰে।

ঞ) কোনো এখন বিশ্ববিদ্যালয়ক অনুদান দিওঁতে আয়োগে বিস্ববিদ্যালয়খনৰ বিকাশ, ইয়াৰ ধনৰ প্ৰয়োজনীয়তা, বিশ্ববিদ্যালয়খনৰ মান আৰু উদ্দেশ্যৰ বিষয়ে অনুসন্ধান কৰিব পাৰে।

**ৰাষ্ট্ৰীয় শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ (National Council of Educational Research and Training NCERT) ঃ**

ভাৰতবৰ্ষৰ স্কুলীয়া শিক্ষাৰ মানদণ্ড উন্নত কৰিবৰ

DAILY ASSAM



বাবে ১৯৬১ চনৰ ১ ছেপ্টেম্বৰত নতুন দিল্লীত ৰাষ্ট্ৰীয় শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ গঠন কৰা হৈছিল। এই পৰিষদে ভাৰত চৰকাৰৰ মানৱ সম্পদ উন্নয়ন দপ্তৰৰ উপদেষ্টা (i) হিচাপে কাৰ্যপৰিচালনা কৰে। স্কুলীয়া শিক্ষা, শিক্ষকৰ শিক্ষা আৰু প্ৰশিক্ষণৰ ক্ষেত্ৰত পৰিকল্পনা স্তৰৰ পৰা মূল্যায়নৰ স্তৰলৈকে সকলো বিষয় পৰিষদৰ অন্তৰ্ভুক্ত কৰিছে।

NCERT ৰ সাধাৰণ সমিতি খন (General Body) নিম্নোক্ত ব্যক্তিসকলৈ গঠিত।

ক) মানৱ সম্পদ উন্নয়ন দপ্তৰৰ মন্ত্ৰী হ'ল ইয়াৰ সভাপতি।

খ) প্ৰতি ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত ৰাজ্যৰ শিক্ষামন্ত্ৰীসকল হ'ল ইয়াৰ সদস্য।

গ) দেশৰ বিশিষ্ট শিক্ষাবিদসকলক ইয়াৰ সদস্য মানোনীত কৰা হয় আৰু বিভিন্ন কমিটীত ৰখা হয়।

**NCERT ৰ গোটসমূহ হ'ল (Main Unit of NCERT)ঃ**

ক) ৰাষ্ট্ৰীয় শিক্ষা প্ৰতিষ্ঠান (National Institute of Education)

খ) শৈক্ষিক প্ৰযুক্তি বিদ্যাৰ কেন্দ্ৰীয় অনুষ্ঠান (Central Institute of Educational Technology)

গ) আজমীৰ, ভুপাল, ভুবনেশ্বৰ আৰু মহিশূৰত থকা চাৰিটা আঞ্চলিক শিক্ষানুষ্ঠান (Four regional Institutes of Education located at Ajmer, Bhopal, Bhubaneswar and Mysore)

NCERTৰ কামসমূহক বহল ভিত্তিত তিনিটা ভাগত ভগাব পাৰি—

ক) গৱেষণা আৰু উন্নয়ন (Research and Development)।

খ) চাকৰিকালীন আৰু প্ৰাক্-চাকৰিকালীন (In service and pre-service) প্ৰশিক্ষণৰ ব্যৱস্থা।

গ) Extention and Disscrimination.

স্কুলীয়া শিক্ষাৰ মানদণ্ড উন্নত কৰাৰ বাবে এই কামবিলাক কৰা হয়। ইয়াৰ প্ৰধান কামসমূহ হ'ল-

ক) পাঠ্যক্ৰম, নিৰ্দেশনা সামগ্ৰী, শিক্ষণ পদ্ধতি, মূল্যায়ন কৌশল, শিক্ষণ সঁজুলি, বিভিন্ন শিক্ষা সামগ্ৰী আৰু শিক্ষণৰ সম্পদসমূহৰ উন্নীতকৰণ কৰা।

খ) শিক্ষক, শিক্ষকৰ শিক্ষক আৰু শিক্ষাৰ লগত জড়িত অন্যান্য সকলো ব্যক্তিৰে চাকৰিকালীন আৰু প্ৰাক-চাকৰিকালীন প্ৰশিক্ষণৰ ব্যৱস্থা কৰা।

গ) গৱেষণা আৰু উন্নয়নৰ কাৰ্য পৰিচালনা কৰা।

ঘ) গৱেষণাৰ পৰা সংগৃহীত বিভিন্ন তথ্যপাতি আৰু সিদ্ধান্তৰ লগতে উন্নত শৈক্ষিক কৌশল প্ৰয়োগৰ ব্যৱস্থা কৰা।

ঙ) স্কুলীয়া শিক্ষা আৰু শিক্ষক-প্ৰশিক্ষণৰ সন্দৰ্ভত সংগৃহীত সকলো তথ্য আৰু সংবাদৰ সূচনা বিনিময় অনুষ্ঠান হিচাপে কৰ্তব্য সম্পাদন কৰা।

চ) NCERT য়ে ছাত্ৰ-ছাত্ৰীৰ বাবে স্কুলীয়া পাঠ্যপুথি, সাধাৰণ কিতাপ (General Book), শিক্ষামূলক আলোচনী (Educational journal) আৰু গৱেষণামূলক সাহিত্য (Research literature) আদি প্ৰস্তুত আৰু প্ৰণয়ন কৰে।

ছ) উচ্চ শিক্ষাৰ অধ্যয়নৰ বাবে দশম শ্ৰেণীৰ মেধাৱী শিক্ষাৰ্থীৰ বাবে জলপানি বা বৃত্তি (Scholarship)-ৰ ব্যৱস্থা কৰা।

জ) ভাৰতবৰ্ষৰ শিক্ষাৰ উন্নতি আৰু সম্প্ৰসাৰণৰ বাবে শৈক্ষিক প্ৰযুক্তিৰ বহুল প্ৰচলন আৰু ব্যৱহাৰৰ ব্যৱস্থা কৰা।

ঝ) পৰিষদৰ বাহিৰে-ভিতৰে গৱেষকসকলক গৱেষণাৰ কাম কৰিবলৈ আৰ্থিক সাহয্য (Funds) প্ৰদান কৰা।

ঞ) বৃত্তিগত অনুষ্ঠানসমূহক শিক্ষাৰ ক্ষেত্ৰত বাৰ্ষিক সভা (Annual Conference) আদি পাতিবলৈ আৰু আলোচনী প্ৰকাশ কৰিবলৈ আৰ্থিক সহায় আগবঢ়োৱা।

**ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ (State Council of Educational Research and Training SCERT)ঃ**

শিক্ষাৰ গুণগত মান উন্নীতকৰণৰ কাৰণে ৰাষ্ট্ৰীয় শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ (NCERT)-ৰ আৰ্হিত দেশৰ প্ৰতিখন ৰাজ্যতে একোখনকৈ ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ (SCERT) গঠন কৰা হৈছিল।

ৰাজ্যিক পৰ্যায়ত (SCERT) ৰ মুখ্য উদ্দেশ্যসমূহ আছিল—

ক) শিক্ষাৰ বিভিন্ন গোট (Units) আৰু বিভাগ (Department) সমূহৰ কাম-কাজ এঠাইৰ পৰা পৰিচালনা কৰাৰ সুবিধা কৰা।

খ) ৰাজ্যৰ শৈক্ষিক সমস্যাসমূহ সমাধান কৰি শিক্ষাৰ উন্নয়নত সহায় কৰা।

গ) একক অনুষ্ঠানৰ জৰিয়তে শৈক্ষিক উন্নয়নৰ লগত জড়িত কাম-কাজ নিয়ন্ত্ৰণ আৰু প্ৰশাসনৰ ব্যৱস্থা কৰা।

১৯৭৭ চনত ভাৰত চৰকাৰৰ শিক্ষা মন্ত্ৰালয়ে প্ৰাথমিক শিক্ষাক সাৰ্বজনীন কৰাৰ বাবে এটা শৈক্ষিক কাম-কাজ চলোৱা দল (Educational working group) নিয়োজিত কৰিছিল যিয়ে ৰাজ্যসমূহত (SCERT) খোলাৰ বাবে অনুমোদন দিছিল। ইয়াত কোৱা হৈছিল যে যিবিলাক ৰাজ্যত (SCERT) নাই সেইবিলাক

DAILY ASSAM



ৰাজ্যত (NCERT) ৰ অংশ হিচাপে এই অনুষ্ঠানটো স্থাপন কৰা হ'ব।

(NCERT) যে ৮ টা বিভাগ সামৰি লৈছে। যেনে—

১। পাঠ্যক্রমৰ উন্নয়ন বিভাগ (Department of Curriculum Development)
২। শিক্ষা গৱেষণা আৰু পৰীক্ষা সংস্কাৰ কৰা বিভাগ (Department of Educational Research and Examination Reform)
৩। শিক্ষক প্ৰশিক্ষণ বিভাগ (Department of Teacher Education)
৪। ভাষা শিকোৱা বিভাগ (Department of Language Teaching)
৫। বিজ্ঞান আৰু গণিত বিভাগ (Department of Science and Mathematics)
৬। কলা, মানৱীয়তাৰ উন্নীতকৰণ, সমাজ বিজ্ঞান আৰু সমাজিকভাৱে উপযোগী আৰু উৎপাদনমূলক কৰ্মৰ বিভাগ (Department of Arts, Humanities, Social Science and SUPW)
৭। শৈক্ষিক, প্ৰযুক্তিৰ বিভাগ (Department of Educational Technology)।
৮। শিক্ষা আৰু বৃত্তীয় পৰামৰ্শদান বিভাগ (Department of Educational and Vocational Guidance)।

**SCERT-ৰ কাৰ্যসমূহ হ'ল (Functions of SCERT)ঃ**

ক) শিক্ষা সম্বন্ধীয় পৰিকল্পনা আৰু নীতি নিৰ্ধাৰণত ৰাজ্য চৰকাৰক সহায় কৰা।
খ) স্কুলীয়া শিক্ষাত আৰু শৈক্ষিক গৱেষণাৰ ক্ষেত্ৰত সক্ৰিয় অংশগ্ৰহণ কৰা।
গ) ৰাজ্যৰ শৈক্ষিক জগতত গৱেষণা কৰি পোৱা তথ্যসমূহ আৰু ফলাফলসমূহক শিক্ষাৰ ক্ষেত্ৰত প্ৰয়োগ কৰিবলৈ চৰকাৰক পৰামৰ্শ দিয়া।
ঘ) ৰাজ্যৰ শৈক্ষিক কামসমূহত সমানতা, ঐক্যতা, সংহতি আৰু স্থিৰতা বজাই ৰাখিবলৈ চৰকাৰৰ লগত সমন্বয়-ৰক্ষী এজেন্সি হিচাপে কাম কৰিব লাগিব।
ঙ) (NCERT) আৰু অন্যান্য শৈক্ষিক আৰু বৃত্তীয় শিক্ষাৰ অনুষ্ঠানসমূহৰ লগত জাতীয় নীতিসমূহ (National Policies) ৰ বিষয়ে পদক্ষেপ ল'বলৈ যোগাযোগ কৰা।
চ) মাধ্যমিক শিক্ষা সংসদ আৰু উচ্চ মাধ্যমিক শিক্ষা পৰিষদক প্ৰয়োজন অনুসৰি সহযোগ কৰা।

**SCERT-আসাম (SCERT-Assam)ঃ**

১৯৮৫ চনৰ ২৯ মাৰ্চত অসমতো ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ (SCERT) গঠন

কৰা হয়। অসমৰ SCERT ৰ অধীনত চাৰিটা বিভাগ আছে। যেনে—

১) পাঠ্যক্রম উন্নয়ন বিভাগ (Department of Curriculum)

২) শিক্ষা গৱেষণা আৰু পৰীক্ষা সংস্কৰণ বিভাগ (Department of Education Research and Examintion Reform)

৩) শিক্ষক প্রশিক্ষণ বিভাগ (Department of Teacher Education)

৪) বিজ্ঞান, গণিত আৰু ভাষা শিক্ষণ বিভাগ (Department of Science, Mathematics and Language Teaching)

এই বিভাগকেইটাই তলত উল্লেখ কৰা কামসমূহক সামৰি লয়।

ক) শৈক্ষিক সমস্যাসমূহৰ ক্ষেত্ৰভিত্তিক অধ্যয়ন আৰু গৱেষণাত সহায় কৰা।

খ) বিদ্যালয় শিক্ষা আৰু শিক্ষক প্রশিক্ষণৰ পাঠ্যক্রম আৰু বিষয় নির্বাচন আদি উন্নতকৰণ কৰা।

গ) মূল্যায়ন আৰু পৰীক্ষাৰ সংস্কাৰ সাধন কৰা।

ঘ) প্রয়োজন অনুসৰি শিক্ষা বিভাগক নীতি নির্ধাৰণ আৰু শৈক্ষিক পৰিকল্পনা কৰাত সহায় কৰা।

ঙ) গৱেষণা পত্ৰৰ সূচনা (Report), আলোচনী, হাতপুথি, শিশুৰ উপযোগী কিতাপ, নির্দেশনাত্মক সামগ্ৰী আদি প্রণয়ন কৰা।

চ) শিক্ষক, শিক্ষক প্রশিক্ষক আৰু কর্ম কর্তাসকলৰ বাবে উচ্চ পৰ্যায়ৰ চক্ৰ আৰু সভা (Conference) আদি অনুষ্ঠিত কৰা।

ছ) শিক্ষা নীতিৰ লগত সংগতি ৰাখি বিভিন্ন শৈক্ষিক কাম-কাজ কৰা।

জ) শিক্ষাৰ ক্ষেত্ৰত নতুনকৈ উদ্ভৱ হোৱা চিন্তাধাৰাৰ বিকাশ ঘটোৱা।

ঝ) শিক্ষণ পদ্ধতিৰ উন্নীতকৰণ বিষয়ক আলোচনা চক্ৰ, কর্মশালা আদি অনুষ্ঠিত কৰা।

ঞ) ভাষা শিক্ষণ আৰু ভাষা শিকোৱা-এই দুয়োটা দিশৰ অধ্যয়নৰ ওপৰত মনোনিবেশ কৰা।

**জিলা শৈক্ষিক প্রশিক্ষণ প্রতিষ্ঠান (District Institute of Education and Training DIET)ঃ**

DIET হ'ল জিলা পর্যায়ৰ শিক্ষা অনুষ্ঠান যি প্রাথমিক স্কুলৰ শিক্ষকসকলক চাকৰিকালীন আৰু প্রাক্-চাকৰিকালীন শিক্ষক প্রশিক্ষণ আৰু অগতানুগতিক (Non formal) শিক্ষাৰ আৰু বয়স্ক শিক্ষা (adult education) ব্যৱস্থাত

DAILY ASSAM



শিক্ষাদানৰ লগতে জড়িত ব্যাক্তিসকলৰো প্ৰশিক্ষণৰ ব্যৱস্থা কৰে।

১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ পৰামৰ্শমৰ্মে প্ৰাথমিক শিক্ষাক সাৰ্বজনীনকৰণ আৰু প্ৰাপ্তবয়স্ক শিক্ষা আঁচনিৰ সফল ৰূপায়ণতে ৰাজ্য চৰকাৰক সহায় কৰিবলৈ জিলা শৈক্ষিক প্ৰশিক্ষণ প্ৰতিষ্ঠান (DIET) খোলা হয়। ৰাষ্ট্ৰীয় শিক্ষা নীতিত কোৱা হৈছিল, "District Institutes of Education and Training will be established with the capability to organise preservice and in-service courses for elementary school teachers and for personnel working in non-formal and adult education. As DIET's get established, sub-standard institutes will be phased out."

১৯৮৬ চনত গ্ৰহণ কৰা নতুন ৰাষ্ট্ৰীয় শিক্ষানীতিৰ বাস্তৱ প্ৰয়োগৰ বাবে প্ৰণালী বদ্ধ আচনি (Programme of Action) গ্ৰহণ কৰা হৈছিল। ইয়াত কোৱা হৈছিল যে, "Keeping in view the central place of teacher education. NPE calls for its overhaul as the first step towards educational reorganisation. Giving particular importance to the training of elementary school teachers, it is envisaged that selected institutions will be developed as District Institutes of Education and Training (DIET) both for pre-service and in-service course of elementary school teachers and for continued education of the personal working in non-formal and adult education programme."

ওপৰোক্ত পৰামৰ্শসমূহৰ ভিত্তিত ১৯৮৮-৮৯ চনৰ সময়চোৱাত প্ৰাথমিক শিক্ষাৰ উন্নতিসাধনৰ বাবে আৰু প্ৰাপ্তবয়স্ক শিক্ষা আঁচনিৰ সফল ৰূপায়নত সহায় হোৱাৰ উদ্দেশ্যে জিলা শৈক্ষিক প্ৰশিক্ষণ প্ৰতিষ্ঠান (DIET) খোলা হয়। বৰ্তমান আমাৰ দেশত সৰ্বমুঠ ৪০০ খন DIET আছে আৰু ইয়াৰ ৩৩৭ খন DIET কাৰ্যক্ষম হৈ আছে। ৰাষ্ট্ৰীয় শিক্ষা নীতি (NPE) আৰু প্ৰণালী বদ্ধ আঁচনি (POA) ৰ প্ৰস্তাৱ অনুযায়ী অসমত তিনিটা পৰ্যায়ত DIET স্থাপন হৈছিল। প্ৰথম পৰ্যায়টো আছিল ১৯৮৯-১৯৯০ চনলৈ, দ্বিতীয় পৰ্যায়টো আছিল ১৯৯৪-৯৫ চনলৈ আৰু তৃতীয় পৰ্যায়টো হ'ল ১৯৯৫-৯৬ চনলৈ। এতিয়ালৈ অসমত মুঠ ১৯ খন DIET বিভিন্ন জিলাত স্থাপন কৰা হৈছে।

**DIET** ৰ মুঠ ৭ টা শাখা আছে। যেনে—

ক) প্ৰাক্-চাকৰিকালীন শিক্ষকৰ শিক্ষা (Pre-

service Teacher Education Branch)।

খ) কৰ্ম অভিজ্ঞতা শাখা (Work Experience Branch)।

গ) প্ৰাপ্তবয়স্ক আৰু অনানুষ্ঠানিক শিক্ষাৰ বাবে জিলা সম্পদ আহৰণ গোট (District Resource unit for Adult and Non-formal Education)।

ঘ) চাকৰিকালীন অনুষ্ঠান ক্ষেত্ৰভিত্তিক আলোচনা আৰু বিনিময় আৰু উদ্ভাৱন শাখা (Inservice programmes, Field interaction and Innovation co-ordination Branch)।

ঙ) পাঠ্যক্ৰম, বিষয় সামগ্ৰীৰ বিকাশ সাধন আৰু মূল্যায়ন শাখা (Curriculum, material development and Evaluation Branch)।

চ) শৈক্ষিক প্ৰযুক্তি শাখা (Educational Technology Branch)।

ছ) পৰিকল্পনা আৰু পৰিচালনা শাখা (Planning and Management Branch)।

**DIET ৰ তিনিটা মুখ্য কাৰ্য হ'ল—**

১) প্ৰশিক্ষণ (Training)।

২) সম্পদৰ সহযোগ (Resource support) আৰু

৩) কাৰ্যকৰী গৱেষণা (Action Research)।

উপৰোক্ত এই তিনিটা কামৰ বহলভাৱে তলত আলোচনা কৰা হ'ল-

১) **প্ৰশিক্ষণ (Training) ঃ**

নিম্নোক্ত ব্যক্তি সকলক DIET এ প্ৰশিক্ষণ দিব লাগিব। যেনে-

ক) চাকৰিকালীন আৰু প্ৰাক-চাকৰিকালীন প্ৰাথমিক শিক্ষকসকলক।

খ) প্ৰাধান শিক্ষক, স্কুল কমপ্লেক্সৰ প্ৰধান ব্যক্তি (Head of the School Complex) আৰু খণ্ড পৰ্যায় (Block level) ৰ বিষয়াসকল।

গ) অগতানুগতিক (Non-formal) শিক্ষা আৰু বয়স্ক শিক্ষা (adult education)-ৰ নিৰ্দেশকসকল (Instructors) আৰু পৰ্যবেক্ষক (Supervisor) সকল।

ঘ) District Board Education ৰ সদস্যসকল, গ্ৰাম্য শিক্ষা কমিটীৰ সদস্য, সামাজিক নেতা, যুৱক, অন্যান্য স্বেচ্ছাসেৱকসকল যিসকলে শিক্ষাৰ বাবে কাম কৰিব বিচাৰে।

ঙ) প্ৰাথমিক স্কুলৰ শিক্ষক, অগতানুগতিক আৰু বয়স্ক শিক্ষাৰ নিৰ্দেশকসকলৰ উদ্দেশ্যে যিসকল বিশিষ্ট শিক্ষাবিদে

DAILY ASSAM



কোনো উপযোগী অনুষ্ঠান পৰিচালনা কৰে।

২) **সম্পদৰ সহযোগ (Resource Support)ঃ** DIET য়ে প্ৰাথমিক আৰু বয়স্কৰ বাবে শিক্ষা পদ্ধতিত তলত উল্লেখ কৰা ক্ষেত্ৰত শিক্ষামূলক আৰু সম্পদৰ সহযোগ আগবঢ়ায় -

ক) সম্প্ৰসাৰণ কাৰ্যত।

খ) শিক্ষক আৰু প্ৰশিক্ষকসকলৰ বাবে খোলা শিক্ষা কেন্দ্ৰ (learning centre)-ক সহায় কৰে।

গ) শিক্ষাৰ লগত সংগতি থকা স্থানীয় সামগ্ৰী (Local relevant materials), শিক্ষণ সঁজুলি (Teaching aids) আৰু মূল্যাংকন কৰা সঁজুলি (Educational tools) সমূহৰ বিকাশ কৰা।

ঘ) প্ৰাথমিক শিক্ষা, প্ৰাপ্তবয়স্ক শিক্ষা আৰু অগতানুগতিক শিক্ষাৰ বাবে কাম কৰা কেন্দ্ৰসমূহ।

৩) **কাৰ্যকৰী গৱেষণা (Action Research)ঃ** জিলা সমূহে প্ৰাথমিক শিক্ষা আৰু প্ৰাপ্তবয়স্ক শিক্ষাৰ ক্ষেত্ৰত সন্মুখীন হোৱা সমস্যাৰ সমাধান কৰিবলৈ DIET য়ে ক্ষেত্ৰ গৱেষণাৰ বাবে আঁচনি প্ৰস্তুত কৰিব।

---

মনত ৰাখিবলগীয়া

- স্কুলঘৰ, মাটি, স্কুলৰ আচবাব, অন্য সা-সঁজুলি, মানৱ সম্পদ যেনে— ছাত্ৰ-ছাত্ৰী, শিক্ষক আৰু আন আন কৰ্মকৰ্তাসকলক অন্তৰ্ভুক্ত কৰা এটা বহল শব্দ হৈছে স্কুল প্ৰতিষ্ঠান।
- কোঠাৰী আয়োগে মন্তব্য দিছিল "দেশ এখনৰ ভাগ্য ইয়াৰ শ্ৰেণীকোঠাত গঢ় লয়।"
- মানৱ সম্পদে শিক্ষক, ছাত্ৰ-ছাত্ৰী আৰু আন আন কৰ্ম-কৰ্তাসকলক সামৰি লয়।
- এজন শিক্ষকে সুচলকাৰী, অভিপ্ৰেৰক আৰু পৰামৰ্শদাতা হিচাপে, ভুমিকা ল'ব লাগে।
- বুদ্ধাংকৰ ভিত্তিত ছাত্ৰ-ছাত্ৰীক প্ৰতিভাশালী, প্ৰখৰ বুদ্ধিসম্পন্ন, উচ্চ বুদ্ধি সম্পন্ন, সাধাৰণ বুদ্ধিসম্পন্ন, ক্ষীণ বুদ্ধিসম্পন্ন, দুৰ্বল মনৰ, অল্পধী বা মূঢ়ধী, ক্ষীণধী বা হীনধী আৰু জড়ধী এইকেইটা ভাগত বিভক্ত কৰা হয়।

- স্কুলত নিয়োজিত ব্যক্তিসকল হ'ল-প্ৰধান শিক্ষক, আন-আন বিষয় শিক্ষক, পুথিভঁড়ালী, চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী, কেন্টিনৰ কৰ্মচাৰী, হোষ্টেলৰ ৰান্ধনী।
- বিদ্যালয়ত প্ৰধান শিক্ষকৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ।
- 'Curriculum' শব্দটো লেটিন ভাষাৰ 'Currere' শব্দৰ পৰা উদ্ভৱ হৈছে যাৰ অৰ্থ হ'ল 'run' অৰ্থাৎ দৌৰ। ইয়াৰ দ্বাৰা পাঠ্যক্ৰম শব্দটোৱে এইয়ে বুজায় যে, নিৰ্দিষ্ট লক্ষ্যত উপনীত হ'বৰ বাবে দিয়া দৌৰ।
- সহ-পাঠ্যক্ৰম কাৰ্যসূচীৰ ভাগ কেইটা হ'ল- শাৰীৰিক, শৈক্ষিক, সামাজিক আৰু আবেগিক কাৰ্যসূচী।
- কম্পিউটাৰ হ'ল এনে এক কৌশল যিয়ে বিভিন্ন বিষয়ৰ সমস্যা সমাধান কৰাত সহায় কৰিব পাৰে। ই অতি দ্ৰুতবেগী আহিলা।
- চাৰ্লছ বেবেজ নামৰ এজন ইংৰাজ লোকে কম্পিউটাৰ আৱিস্কাৰ কৰিছিল।
- কম্পিউটাৰৰ অংশসমূহ হ'ল- ম'নিটৰ, কী বোৰ্ড, চিষ্টেম ইউনিট, মাউচ আৰু প্ৰিন্টাৰ।
- পৃথিৱীৰ অসংখ্য কম্পিউটাৰ যোগসূত্ৰকে কম্পিউটাৰ নেটৱৰ্ক বোলা হয় আৰু পৃথিৱীৰ অসখ্য নেটৱৰ্ক পাৰস্পৰিকভাৱে সংযুক্ত হ'লেহে ইন্টোৰনেট তৈয়াৰী হয়।
- ইন্টাৰনেটক APRANET হিচাপে প্ৰথম প্ৰয়োগ কৰে।
- ইলেক্ট্ৰনিক উপায়েৰে চিঠি-পত্ৰৰ আদান প্ৰদান কৰাই হ'ল ই-মেইলৰ কাম।
- চি ডি ৰোম হ'ল এক বৃহৎসংখ্যক সূচনা বা তথ্য সংৰক্ষণৰ ব্যৱস্থা।
- ৱেব পেজৰ সমষ্টিয়েই হ'ল ৱেব চাইট। প্ৰতিটো ৱেব চাইট WWW ৰে আৰম্ভ হয়, যিটো বহুতো সেৱাৰ ভিতৰত এটা সেৱা আৰু যিটো হাইপাৰটেক্সৰ জৰিয়তে সংযোগ কৰা হয়। প্ৰত্যেক শিক্ষানুষ্ঠানৰে নিজা নিজা ৱেবচাইট থাকে।
- দূৰত্ব শিক্ষা পদ্ধতিৰ আটাইতকৈ উপযোগী পদ্ধতিটো হৈছে দুৰ সন্মিলন প্ৰণালী। ই

DAILY ASSAM



মুখ্যতঃ তিনি প্ৰকাৰৰ - শ্ৰব্য দূৰালাপ সন্মিলন, দৃশ্য দূৰালাপ সন্মিলন আৰু কম্পিউটাৰ দূৰালাপ সন্মিলন।

- শিক্ষা জগতত কিছুমান পাৰামৰ্শদায়ী অভিকৰণ আছে। এই অভিকৰণসমূহ হ'ল - UGC, NCERT, SCERT আৰু DIET।
- ১৯৫৩ চনৰ নৱেম্বৰ মাহৰ শিক্ষা মন্ত্ৰালয়ে বিশ্ববিদ্যালয় অনুদান আয়োগ (UGC) গঠন কৰে। ই প্ৰধানকৈ উচ্চ শিক্ষাৰ লগত জড়িত।
- ভাৰতবৰ্ষৰ স্কুলীয়া শিক্ষাৰ মানদণ্ড উন্নত কৰিবৰ বাবে ১৯৬১ চনৰ ১ ছেপ্টেম্বৰত NCERT গঠন কৰা হৈছিল। ইয়াৰ প্ৰধান লক্ষ্য হ'ল ভাৰতবৰ্ষৰ স্কুলীয়া শিক্ষাৰ গুণগত মানদণ্ড উন্নত কৰাত সহায় কৰা।
- NCERT ৰ কামসমূহক বহল ভিত্তিত তিনিটা ভাগত ভগাব পাৰি। যেনে-

  ক) গৱেষণা আৰু উন্নয়ন

  খ) চাকৰিকালীন আৰু প্ৰাক্-চাকৰিকালীন প্ৰশিক্ষণৰ ব্যৱস্থা।
- শিক্ষাৰ গুণগত মান উন্নীতকৰণৰ কাৰণে NCERT ৰ আহিঁত দেশৰ প্ৰতিখন ৰাজ্যতে একোখনকৈ SCERT গঠন কৰা হৈঠিল। SCERT য়ে ৮টা শৈক্ষিক বিভাগক সামৰি লৈছে।
- ১৯৮৫ চনত ২৯ মাৰ্চত অসমত SCERT গঠন কৰা হয়। অসমৰ SCERT ৰ অধীনত চাৰিটা শৈক্ষিক বিভাগ আছে।
- ১৯৮৬ চনত ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ (NPE) পৰামৰ্শমৰ্মে জিলা শৈক্ষিক প্ৰশিক্ষণ প্ৰতিষ্ঠান (DIET) খোলা হয়। DIET ৰ মুঠ ৭ টা শাখা আছে।
- DIET ৰ তিনিটা মুখ্য কাৰ্য হ'ল-

  ক) প্ৰশিক্ষণ।

  খ) সম্পদৰ সহযোগ।

  গ) গৱেষণাৰ বাবে আঁচনি গ্ৰহণ।

## প্ৰশ্নাৱলী

১। বিদ্যালয় প্ৰতিষ্ঠানৰ অৰ্থ কি? ১

২। 'শ্ৰেণীকক্ষতে এখন দেশৰ ভৱিষ্যত গঢ়ি তোলা হয়' - এই কথাযাৰ কোনে কৈছিল? [2007] ১

৩। ইংৰাজী 'Curriculum ' শব্দটো লেটিন ভাষাৰ কোনটো শব্দৰ পৰা উৎপত্তি হৈছে। [2005] ১

৪। 'Currere' শব্দৰ অৰ্থ কি? ১

৫। প্ৰমূল্যৰ শিক্ষা বুলিলে কি বুজা? ১

৬। প্ৰতিভাশালী ছাত্ৰ-ছাত্ৰীৰ বুদ্ধাংকৰ পৰিসৰ কিমান? ১

৭। অতি প্ৰখৰ বুদ্ধিসম্পন্ন ছাত্ৰ-ছাত্ৰীৰ বুদ্ধাংকৰ পৰিসৰ কিমান? ১

৮। উচ্চ বুদ্ধিসম্পন্ন ছাত্ৰ-ছাত্ৰীৰ বুদ্ধাংকৰ পৰিসৰ কিমান? ১

৯। সাধাৰণ বুদ্ধিসম্পন্ন ছাত্ৰ-ছাত্ৰীৰ বুদ্ধাংকৰ পৰিসৰ কিমান? ১

১০। শ্ৰেণীকক্ষৰ আকাৰ কি হোৱা উচিত? ১

১১। ৯০-১১০ ৰ বুদ্ধ্যাংকৰ ভিতৰত কি ধৰণৰ শিক্ষাৰ্থী অন্তৰ্ভুক্ত হয়। ১

১২। বিজ্ঞান পৰীক্ষাগাৰত প্ৰয়োজন হোৱা যিকোনো দুটা আচবাবৰ নাম লিখা। ২

১৩। পুথিভড়ালৰ দায়িত্বত থকা ব্যক্তিজনক কি বুলি কোৱা হয়? ২

১৪। শ্ৰেণীকক্ষত প্ৰয়োজনীয় দুবিধ আহিলাৰ নাম লিখা। ২

১৫। শ্ৰেণীকক্ষত ব্যৱহাৰ কৰিব পৰা শ্ৰৱণ দৰ্শন সঁজুলিৰ নাম লিখা। ২

১৬। বিদ্যালয়ৰ প্ৰতিষ্ঠানৰ বৈষয়িক সম্পদ তিনিবিধৰ নাম উল্লেখ কৰা। ৩

১৭। বিদ্যালয় প্ৰতিষ্ঠানৰ মানৱ সম্পদ তিনিটাৰ নাম উল্লেখ কৰা। ৩

**১৮। চমুটোকা লিখা : (৩ নম্বৰ)**

ক) বিষয়কেন্দ্ৰিক পাঠ্যক্ৰম।

DAILY ASSAM



খ) ক্রিয়াভিত্তিক পাঠ্যক্রম।

গ) অভিজ্ঞতাভিত্তিক পাঠ্যক্রম।

ঘ) অপৃথকীকৰণ পাঠ্যক্রম।

ঙ) বুনিয়াদী শিক্ষা পাঠ্যক্রম।

চ) জীৱনভিত্তিক পাঠ্যক্রম।

১৯। বিদ্যালয়ৰ প্ৰকল্প স্থাপন কৰাৰ সময়ত মাটি নিৰ্বাচন কৰাৰ সময়ত মনত ৰাখিবলগীয়া তিনিটা চৰ্ত উল্লেখ কৰা। ৩

২০। যিকোনো তিনি প্ৰকাৰৰ পাঠ্যক্রমৰ নাম উল্লেখ কৰা। ৩

২১। স্কুল প্ৰকল্পৰ বাবে প্ৰয়োজন হোৱা যিকোনো তিনিটা সঁজুলিৰ নাম লিখা। ৩

২২। স্কল গৃহ নিৰ্মাণ কৰোতে মনত ৰাখিবলগা তিনিটা কথাৰ বিষয়ে উল্লেখ কৰা।

২৩। শ্ৰেণীকোঠা নিৰ্মাণ কৰোতে মনত ৰাখিবলগীয়া চৰ্ত উল্লেখ কৰা। ৫

২৪। বিজ্ঞান পৰীক্ষাগাৰ নিৰ্মাণ কৰোতে মনত ৰাখিবলগীয়া পাঁচটা চৰ্ত উল্লেখ কৰা। ৫

২৫। সুচলাকাৰী হিচাপে শিক্ষকৰ পাঁচটা কাৰ্যাৱলী উল্লেখ কৰা। ৫

২৬। অভিপ্ৰেৰক হিচাপে শিক্ষকৰ পাঁচটা কাৰ্যাৱলী উল্লেখ কৰা। ৫

২৭। পৰামৰ্শদাতা হিচাপে শিক্ষকৰ পাঁচটা কাৰ্যাৱলী উল্লেখ কৰা। ৫

২৮। ভাল পুথিভঁড়াল এটাৰ যিকোনো পাঁচটা বৈশিষ্ট উল্লেখ কৰা। ৫

২৯। এজন শিক্ষকৰ পাঁচটা ব্যক্তিগত গুণাৱলী উল্লেখ কৰা। ৫

৩০। শিক্ষকৰ পাঁচটা বৃত্তিমূলক গুণাৱলী উল্লেখ কৰা। ৫

৩১। আদৰ্শ শিক্ষক এজনৰ পাঁচটা গুণ উল্লেখ কৰা। ৫

৩২। নতুন পৰিস্থিতিত শিক্ষকৰ সন্মুখত দিয়া পাঁচটা প্ৰত্যহ্বানৰ বিষয়ে উল্লেখ কৰা। ৫

৩৩। পাঠ্যক্রমৰ পাঁচটা প্ৰকাৰৰ নাম লিখা। ৫

৩৪। প্ৰচলিত পাঠ্যক্রমৰ পাঁচটা আসোৱাহ উল্লেখ কৰা। ৫

৩৫। পাঠ্যক্ৰম প্ৰস্তুতিকৰণৰ পাঁচটা নীতি উল্লেখ কৰা। ৫

৩৬। সহ-পাঠ্যক্ৰম কাৰ্যসূচীৰ যিকোনো পাঁচটা উপকাৰিতাৰ বিষয়ে উল্লেখ কৰা ।

৩৭। সহ-পাঠ্যক্ৰমিক কাৰ্যাৱলীৰ চাৰিটা প্ৰকাৰ উল্লেখ কৰা। ৪

৩৮। সহ-পাঠ্যক্ৰম কাৰ্যসূচীৰ পাঁচটা উদ্দেশ্য উল্লেখ কৰা। ৫

৩৯। যিকোনো চাৰিটা শাৰীৰিক সহ- পাঠ্যসূচীৰ নাম উল্লেখ কৰা। ৪

৪০। যিকোনো পাঁচটা শৈক্ষিক সহ-পাঠ্যসূচীৰ নাম উল্লেখ কৰা। ৪

৪১। যিকোনো পাঁচটা সামাজিক সহ-পাঠ্যসূচীৰ নাম উল্লেখ কৰা। ৫

৪২। পাঁচটা আবেগিক সহ-পাঠ্যসূচীৰ নাম উল্লেখ কৰা। ৫

৪৩। স্কুল প্ৰকল্পৰ বাবে প্ৰয়োজন হোৱা পাঁচ প্ৰকাৰৰ কৰ্মচাৰীৰ নাম উল্লেখ কৰা।

৪৪। UGC- ৰ সম্পূৰ্ণ অৰ্থ কি? ১

৪৫। UGC- ৰ প্ৰধান কাৰ্যালয় ক'ত অৱস্থিত? ১

৪৬। কম্পিউটাৰৰ অৰ্থ কি লিখা। ১

৪৭। কম্পিউটাৰ কোনে আৱিস্কাৰ কৰিছিল? ১

৪৮। Website ৰ প্ৰথম পেজটোক কি বুলি জনা যায়? ১

৪৯। UGC ৰ সম্পূৰ্ণ গঠনটো কি? ১

৫০। ৱেব চাইট কি? ১

৫১। ৱেব পেজ কি? ১

৫২। UGC কিমান চনত স্থাপিত হয়? ১

৫৩। NCERT কিমান চনত স্থাপন কৰা হৈছিল? ১

৫৪। NCERT ৰ মুখ্য কাৰ্যালয় ক'ত অৱস্থিত? ১

৫৫। অসমত SCERT কেতিয়া স্থাপন কৰা হৈছিল? ১

৫৬। তলত উল্লেখ কৰা সমূহৰ সম্পূৰ্ণ গঢ় কেইটা লিখা।

DAILY ASSAM



ক) NCERT

খ) UGC

গ) SCERT

ঘ) DIET

৫৭। কম্পিউটাৰৰ যিকোনো তিনিটা প্ৰধান অংশৰ নাম লিখা। ৩

৫৮। কম্পিউটাৰৰ তিনিটা বৈশিষ্ট্য উল্লেখ কৰা। ৩

৫৯। কম্পিউটাৰৰ জৰিয়তে দিয়া পৰামৰ্শৰ তিনিটা সুবিধা উল্লেখ কৰা। ৩

৬০। E-mail ৰ তিনিটা বৈশিষ্ট্য উল্লেখ কৰা। ৩

৬১। CD-ROM ৰ তিনিটা বৈশিষ্ট্য উল্লেখ কৰা। ৩

৬২। Website ৰ তিনিটা বৈশিষ্ট্য উল্লেখ কৰা। ৩

৬৩। দূৰালাপ সন্মিলনৰ প্ৰকাৰ তিনিটাৰ নাম উল্লেখ কৰা। ৩

৬৪। শিক্ষাত প্ৰযুক্তিৰ তিনিটা ব্যৱহাৰৰ বিষয়ে উল্লেখ কৰা। ৩

৬৫। কম্পিউটাৰৰ তিনিটা মুখ্য বিভাগ কি? ৩

৬৬। NCERT ৰ কামসমূহক তিনিটা বহল ভিত্তিত ভাগ কৰা হৈছে। ভাগকেইটা কি কি? ৩

৬৭। SCERT গঠন কৰাৰ তিনিটা প্ৰধান উদ্দেশ্য উল্লেখ কৰা। ৩

৬৮। SCERT ৰ তিনিটা শৈক্ষিক বিভাগৰ নাম উল্লেখ কৰা। ৩

৬৯। ... ৰ প্ৰধান কাম তিনিটাৰ নাম উল্লেখ কৰা। ৩

৭০। বিশ্ববিদ্যালয় অনুদান আয়োগৰ যিকোনো পাঁচটা কাৰ্যাৱলী উল্লেখ কৰা। ৫

৭১। তলত উল্লেখ কৰা বিষয়সমূহৰ প্ৰতিটোৰে পাঁচটাকৈ কাৰ্যাৱলীৰ বিষয়ে উল্লেখ কৰা। ৫

ক) UGC

খ) NCERT

DAILY ASSAM



গ) SCERT

ঘ) DIET

৭২। এটা সম্পূৰ্ণ কম্পিউটাৰ গোটৰ পাঁচটা অংশৰ বিষয়ে উল্লেখ কৰা। ৫

৭৩। কম্পিউটাৰৰ পাঁচটা মুখ্য শৈক্ষিক সুবিধাৰ বিষয়ে উল্লেখ কৰা। ৫

৭৪। শিক্ষাত কম্পিউটাৰ ব্যৱহাৰৰ পাঁচটা সীমাৱদ্ধতাৰ বিষয়ে উল্লেখ কৰা। ৫

৭৫। ইন্টাৰনেট ব্যৱহাৰৰ পাঁচটা সুবিধাৰ বিষয়ে উল্লেখ কৰা। ৫

৭৬। চমুটোকা লিখা ঃ

ক) ইন্টাৰনেট।

খ) ৱেবচাইট।

গ) চি ডি ৰোম।

ঘ) ই-মেইল।

ঙ) দূৰালাপ সন্মিলন।

## প্ৰসংগ গ্ৰন্থসমূহ


1. R. N. Safaya, B.D. Saida (1998). School Administration & Organization, New Delhi, Dhanpat Rai Publishing Company (P) Ltd.
2. K. Sampath, A Panneerselvan, S Santhanam (2004): Introduction to Educational Technology, New Delhi. Sterling Publishing Private Ltd.
3. J.C. Aggarwal (2004) : Essentials of Educational Technology, Teaching Learning Innovations in Education, New Delhi, Vikas Publishing House Pvt. Ltd.
4. R.A. Sharma (2003): Educational Technology, Meerut (V.P), R. Lall Book Dept.